# সুকন্যা

দেওবৰীয়া



ভিতৰৰ পৃষ্ঠাত

- পৰিত্ৰতম তীৰ্থক্ষেত্ৰ মা সাৰদাপীঠ
- আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰ কামৰূপৰ শ্ৰমজীৱী মহিলাৰ উত্তৰণৰ যাত্ৰা
- 'চিনাকি' ফুড প্ৰডাক্টেৰে পৰিচিত গীতাঞ্জলি, শিৱানী
- গল্প ঃ ক'লা ডাৱৰ
- শীতত ছালৰ সৌন্দৰ্য বজাই ৰাখিব কেনেকৈ?
- ৰেচিপি ঃ কেঁচা হালধিৰে ৰন্ধা মাছৰ জোল



নিয়মীয়া বাৰ্তা ▢ দেওবাৰ, ৫ জানুৱাৰী ২০২৫ www.niyomiyabarta.com




'**কাদল** মান্নান' নামৰ তামিল চিনেমাখনৰ নায়িকা 'তিলোত্তমা'ৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ। বিপৰীতে 'শিৱা' চৰিত্ৰত নায়কৰ চৰিত্ৰত অভিনয় কৰিছিল যশস্বী অভিনেতা অজিত কুমাৰে। চিনেমাখনৰ বাবে চেন্নাই, দিল্লী, কৰ্ণাটকৰ বিভিন্ন লোকেচনত শ্বুটিং সম্পন্ন হৈছিল। ভাল লগা কথাটো হ'ল চিনেমাখন ছুপাৰহিট হৈছিল। ইয়াৰ পিছতে মণিৰত্নম, কামাল হাছানৰ দৰে যশস্বীয়ে পৰৱৰ্তী ছবিৰ বাবে মোৰ লগত চুক্তি কৰিব বিচাৰিছিল। কিন্তু অভিনয়তকৈ নৃত্যৰ প্ৰতি থকা মোৰ গভীৰ অনুৰাগৰ বাবে আৰু এই সাধনাত সফল হ'বলৈ মই পুনৰ কোনো ছবিতেই অভিনয় নকৰিবলৈ সিদ্ধান্ত গ্ৰহণ **কৰোঁ**...

# নৃত্যই মোক দিয়ে জীৱনৰ অৰ্থ

## দাক্ষিণাত্যত খলকনি তোলা কৃষ্ণাক্ষী শৰ্মা

'**ভাৰত** নাট্যম' শিকাৰ প্ৰতি প্ৰবল হেঁপাহ কণমানি ছোৱালীগৰাকীৰ। গুৱাহাটীৰ 'ৰবীন্দ্ৰ ভৱন'ত যশস্বী নৃত্যশিল্পী ড° পদ্ম সুব্ৰমণিয়ামৰ এক নৃত্য দেখাৰ পিছৰে পৰাই 'ভাৰত নাট্যম' শিকিবলৈ জন্মে প্ৰবল হেঁপাহ। সেই সময়ত তেওঁৰ বয়স প্ৰায় ১১ বছৰ। ইফালে প্ৰতিভাৰ উমান পাই সুধাকণ্ঠ ড° ভূপেন হাজৰিকায়ো তেওঁক নৃত্যৰ গভীৰ সাধনাৰ বাবে চেন্নাইলৈ যাবলৈ যোগাইছিল প্ৰেৰণা। অৱশেষত চেন্নাইলৈ গৈ কিছু প্ৰত্যাহ্বানৰ মাজেৰে চলাই গৈছিল নৃত্যৰ সাধনা। আৰু সৌভাগ্যবশতঃ পাৰদৰ্শিতাৰ বলতেই তেওঁ সুযোগ পাইছিল তামিল ছবি 'কাদল মান্নান'ত নায়িকাৰ চৰিত্ৰ ৰূপায়ণৰ বাবে। যিখন ছবিৰ যোগেদিয়েই দাক্ষিণাত্যৰ ছবিজগতত খলকনি তুলিছিল নৃত্য শিকিবলৈ যোৱা অসম কন্যাগৰাকীয়ে। ছুপাৰহিট হৈছিল ছবিখন। কিন্তু নৃত্য শিকাহে মূল লক্ষ্য হিচাপে লৈ আগবাঢ়িব বিচৰা ছোৱালীগৰাকীয়ে আজি নৃত্যৰ জৰিয়তেই দেশে-বিদেশে আৰ্জিছে খ্যাতি। নৃত্যৰ অতি পাৰদৰ্শী-মেধাসম্পন্ন এইগৰাকী অসম কন্যা কৃষ্ণাক্ষী শৰ্মা। দাক্ষিণাত্যৰ ছবিজগতত তেওঁৰ পৰিচিতি 'মানু' নামেৰে। এইগৰাকী কৃষ্ণাক্ষী শৰ্মাৰ জন্ম গুৱাহাটীৰ উজান বজাৰত। পিতৃ মৃণালকান্ত শৰ্মা, মাতৃ প্ৰভা দেৱী। গুৱাহাটীৰ ঐতিহ্যবাহী টিচি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা তেওঁ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। পিছত 'মাদ্ৰাছ বিশ্ববিদ্যালয়'ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তদুপৰি দিল্লী বিশ্ববিদ্যালয়ৰ পৰা তেওঁ কৃতিত্বৰে হাস্পতাল মেনেজমেণ্টৰ ডিপ্ল'মা লাভ কৰে। সম্প্ৰতি চেন্নাইত বসতি কৰা এইগৰাকী স্বনামধন্য অসম কন্যা কৃষ্ণাক্ষী শৰ্মাৰ সৈতে এক আছুতীয়া সাক্ষাৎকাৰ—

■ **আপুনি মূলতঃ এগৰাকী শাস্ত্ৰীয় নৃত্যশিল্পী। কিন্তু এখন তামিল কথাছবিত অভিনয় কৰি আপুনি দাক্ষিণাত্যৰ ছবিজগতত খলকনি তুলিছিল। অসমৰ পৰা কেনেদৰে গৈ, কি পৰিস্থিতিৰ মাজেৰে দাক্ষিণাত্যৰ এখন ছুপাৰহিট ছবিত নায়িকাৰ দৰে এটি গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছিল? এতিয়া আপুনি চেন্নাইত বসতি কৰে। অসমৰ পৰা চেন্নাইলৈ যাত্ৰাৰ সবিশেষ জনাব নেকি?**

ঃ সেয়া ৯০ৰ দশকৰ কথা। মই তেতিয়া গুৱাহাটীৰ উজান বজাৰৰ ঘৰত। অলপ-অচৰপকৈ নৃত্যৰ চৰ্চা চলাই আছোঁ। ইফালে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ লগত মোৰ দেউতা (মৃণাল শৰ্মা)ৰ খুব ভাল সম্পৰ্ক। সেই সূত্ৰে ভূপেন হাজৰিকাই মোক চেন্নাইলৈ গৈ নৃত্যৰ সাধনা চলাই যাবলৈ দেউতাক পৰামৰ্শ আগবঢ়ায়। ইমান প্ৰসিদ্ধ শিল্পীগৰাকীয়ে এনেদৰে পৰামৰ্শ আগবঢ়োৱা বাবে কথাটোত দেউতাই গুৰুত্ব দিছিল। আৰু সেইমৰ্মেই মই চেন্নাইলৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰোঁ। আৰু চেন্নাইত গৈ মই গুৰু পদ্মা হাৰগোপালৰ ওচৰত ভাৰত নাট্যম শিকিবলৈ আৰম্ভ কৰোঁ। এনেদৰে দাক্ষিণাত্যত মোৰ শাস্ত্ৰীয় নৃত্যৰ জয়যাত্ৰা আৰম্ভ হ'বলৈ ধৰে। তাতেই মই ১৯৯৫ চনত ভাৰত নাট্যমৰ আৰাংগীত্ৰম (Diploma) লাভ কৰিছিলোঁ। এইবাৰ মই এইক্ষেত্ৰত উচ্চ শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী হ'লোঁ। সেইমতে তাত ১৯৯৫ চনতে ভাৰত চৰকাৰৰ পদ্মভূষণ সন্মানপ্ৰাপক গুৰু ধনঞ্জয়ৰ ওচৰত ভাৰত নাট্যমৰ 'Post Graduate (P.G.) Course'ত ইণ্টাৰভিউ দি নামভৰ্তিৰ সুযোগ পালোঁ। কিন্তু তাত নামভৰ্তি কৰিবলৈ হ'লে যিটো মাচুল, সেয়া মোৰ বাবে সমস্যা হৈ পৰিল। মোৰ হিচাপত মাচুল যথেষ্ট বেছি। কেনেকৈ বহন কৰিম। মোৰ এই সমস্যাটোৰ কথা গুৰুজীক ক'লোঁ আৰু নামভৰ্তি বিনামূলীয়া কৰিবলৈ অনুৰোধ কৰিলো। তেতিয়া তেওঁ কিয় বিনামূলীয়া কৰিব বুলি মোক ওলোটাই প্ৰশ্ন কৰিলে। শেষত তেওঁ এদিন মোৰ নৃত্য চাবলৈ বিচাৰিলে। মই তেওঁৰ সন্মুখত নৃত্য পৰিৱেশন কৰিলোঁ। আৰু সৌভাগ্যৰ কথা যে মোৰ নৃত্য প্ৰত্যক্ষ কৰি যথেষ্ট উৎসাহী হৈ মোক বিনামূলীয়াকৈ নামভৰ্তি কৰালে। এনেদৰে নৃত্যৰ উচ্চ শিক্ষা আৰম্ভ কৰিলোঁ। মোৰেই সৌভাগ্য যে 'India Today'ৰ দৰে বিখ্যাত ৰাষ্ট্ৰীয় পৰ্যায়ৰ জনপ্ৰিয় আলোচনীখনৰ সম্পাদক 'মিছেছ বাসন্তী' বাইদেৱে তেওঁৰ `Paying Guest' হিচাপে মোক ৰাখিছিলে। এইখিনিতে আৰু এটা কথা মনলৈ আহিছে। তাৰ প্ৰচণ্ড গৰমত মই খোজকাঢ়ি অহা-যোৱা কৰিছিলোঁ। মূৰৰ ওপৰত ল'বলৈ এটা ছাতিও নাই তেতিয়া। গৰমত মই ৰঙা-চিঙা পৰি যাওঁ। নৈমিত্তিক এই দৃশ্য সংশ্লিষ্ট সকলোৰে পৰিচিত হৈ পৰিছিল। এদিন এগৰাকী বয়োজ্যেষ্ঠ লোকে মোলৈ মৰম উপজি ল'বলৈ এটি ছাতি দিছিল। মানুহগৰাকীৰ এই মানৱীয় দৃষ্টিভংগী দেখি মই খুবেই ভাল পালোঁ আৰু উৎসাহী হৈ মই মোৰ নৃত্যৰ সাধনা চলাই হৈ থাকিলোঁ। অ' আৰু এটা কথা, মোৰ নামভৰ্তিৰ পিছতেই গুৰু আমেৰিকালৈ গৈছিল। কেইমাহমান পিছত চেন্নাইলৈ আহি মোৰ নৃত্যৰ অগ্ৰগতিৰ পৰীক্ষা ল'লে। মোৰ কৃতকৰ্মৰ প্ৰতি তেওঁ মুগ্ধ হ'ল। তেওঁৰ লগত দলীয় নৃত্যত নাচিবলৈ মোক অনুমতি দিলে। এনেদৰে লাহে লাহে মই চেন্নাইৰ বিভিন্ন ক্ষেত্ৰত নৃত্য প্ৰদৰ্শনৰ ধাৰাবাহিকতা চলাই গৈছিলোঁ। ইয়াৰ মাজতেই আহিল আন এটা সুযোগ। চেন্নাইৰ এখন বিখ্যাত মঞ্চ হ'ল 'নাৰদ গাণ সভা'। ইয়াত দাক্ষিণাত্যৰ চিনেমাৰ বহু বিখ্যাত তাৰকাই অভিনয় কৰিছিল। সেয়ে 'নাৰদ গাণ সভা'ৰ গৰিমা অপাৰ। তাত এবাৰ মই নাচৰ কাৰ্যসূচী পৰিৱেশন কৰিছিলোঁ। তাত মোৰ নৃত্য দেখি যশস্বী চিনেমা পৰিচালক চাৰণ আৰু কে বালচন্দ্ৰই তেওঁলোকৰ এখন চিনেমাৰ বাবে মোক নিৰ্বাচিত কৰিছিল। মোক কথাটো জনোৱা হ'ল। সেই সময়ত চিনেমাত অভিনয় কৰিবলৈ মোৰ সমূলি নাছিল ইচ্ছা। অৱশেষত চিনেমাখনৰ প্ৰযোজক সত্য নাৰায়ণ আৰু পৰিচালক চাৰণ দুয়ো মিলিতভাৱে দেউতাৰ লগত সমগ্ৰ কথা পাতি চূড়ান্ত কৰে। অৱশেষত মই একপ্ৰকাৰ বাধ্য হৈ অভিনয় কৰিবলগীয়া হ'ল। 'কাদল মান্নান' নামৰ তামিল চিনেমাখনৰ নায়িকা 'তিলোত্তমা'ৰ চৰিত্ৰত অভিনয় কৰিছিলোঁ। বিপৰীতে 'শিৱা' চৰিত্ৰত নায়কৰ চৰিত্ৰত অভিনয় কৰিছিল যশস্বী অভিনেতা অজিত কুমাৰে। চিনেমাখনৰ বাবে চেন্নাই, দিল্লী, কৰ্ণাটকৰ বিভিন্ন লোকেচনত শ্বুটিং সম্পন্ন হৈছিল। ভাল লগা কথাটো হ'ল চিনেমাখন ছুপাৰহিট হৈছিল। ইয়াৰ পিছতে মণিৰত্নম, কামাল হাছানৰ দৰে যশস্বীয়ে পৰৱৰ্তী ছবিৰ বাবে মোৰ লগত চুক্তি কৰিব বিচাৰিছিল। কিন্তু অভিনয়তকৈ নৃত্যৰ প্ৰতি থকা মোৰ গভীৰ অনুৰাগৰ বাবে আৰু এই সাধনাত সফল হ'বলৈ মই পুনৰ কোনো ছবিতেই অভিনয় নকৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰোঁ। অৱশ্যে এক বিশেষ কাৰণবশতঃ 'লিমকা বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড'ৰ বাবে চাৰিগৰাকী সঁচা যমজ ভগ্নীক লৈ মোহন ৰাজাই পৰিচালনা কৰা 'ইন্নাছত্তম ইন্দানেৰম' ছবিখনত অলপতে অভিনয় কৰিবলগীয়া হৈছিল। মই নৃত্যক গুৰুত্ব দি আমেৰিকাৰ 'ক্লিভলেণ্ড কালচাৰেল এলায়েঞ্চ'ৰ লগত চুক্তিবদ্ধ হওঁ। আৰু তাৰ জৰিয়তে আমেৰিকা, কানাডাৰ বিভিন্ন স্থান, কেইবাখনো আন্তঃৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ত নৃত্য প্ৰদৰ্শন কৰি ধন্য হ'লোঁ। ২০০৬ চনৰ পৰা ছিংগাপুৰৰ 'নেচনেল আৰ্টছ কাউঞ্চিল'ত নৃত্য শিকোৱাৰ কাম আৰম্ভ কৰিছিলোঁ। 'মানু আৰ্টছ' নামৰ এটা সংগঠনৰ জৰিয়তে এই কাম কৰিছিলোঁ। ১৯৯৮ চনৰ পৰা ২০১১ চনলৈ মই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিৰৱচ্ছিন্নভাৱে নৃত্যৰ প্ৰদৰ্শন-প্ৰশিক্ষণ দি যথেষ্ট সাফল্য আৰ্জন কৰিব পাৰিছিলোঁ। মই এই কাৰ্যৰ ধাৰাবাহিকতা আজিও অব্যাহত ৰাখিছোঁ। এই বক্তব্যখিনিৰ জৰিয়তে আপোনালোকে অসমৰ পৰা মই কেনেদৰে আহি দাক্ষিণাত্যত প্ৰতিষ্ঠিত হৈছিলোঁ তাৰ এটা সম্যক ধাৰণা লাভ কৰিলে বুলি আশা কৰিছোঁ।

■ **আমি জানিব পৰা মতে দাক্ষিণাত্যৰ অতি জনপ্ৰিয় তাৰকা ৰজনীকান্তে আপোনাক জীয়ৰী হিচাপে গ্ৰহণ কৰিছে। আচলতে কিদৰে আপুনি কিংবদন্তিস্বৰূপ ৰজনীকান্তৰ দৰে পৰিয়ালৰ সংস্পৰ্শলৈ আহে?**

ঃ হয়, ৰজনীকান্তৰ দৰে অতি জনপ্ৰিয়, বিচক্ষণ অভিনেতাগৰাকীৰ সংস্পৰ্শলৈ অহা কথাটোৱেই পৰম সৌভাগ্যৰ কথা। এই বিষয়ে ক'বলৈ হ'লে আমি ২০১১ বৰ্ষলৈ উভতি যাব লাগিব। তেতিয়া মই ছিংগাপুৰত নাচৰ প্ৰশিক্ষণত ব্যস্ত। কিন্তু মে' মাহ (২০১১ চন)ৰ কোনোবা এটা দিন (সঠিক দিনটো পাহৰিছোঁ)ত বেংগালুৰুত মোৰ শ্ব' এটা আছিল। সেইবাবে মই ছিংগাপুৰৰ পৰা এসপ্তাহৰ বাবে ভাৰতলৈ আহিছিলোঁ। বেংগালুৰুৰ পৰা মই চেন্নাইলৈ গাড়ীৰে আহি আছিলোঁ। সেই সময়তে মোলৈ এটা 'ফোনকল' আহিছিল। যশস্বী চিনেমা প্ৰযোজক বিজয় শংকৰে কৰিছিল ফোন। তেওঁ জানিছিল যে বিগত বহুদিন ধৰি মই ছিংগাপুৰত আছিলোঁ। আচলতে মূল কথাটো হ'ল সেই সময়ত ৰজনীকান্ত গুৰুতৰভাৱে অসুস্থ হৈছিল। সেই সময়ত চলি থকা বিশ্বকাপ খেল উপভোগ কৰাৰ পিছতেই তেওঁ অসুস্থ হৈছিল। ততালিকে চেন্নাইত চিকিৎসা কৰোৱা হৈছিল। কিন্তু সেই সময়ত হাস্পতালৰ বাহিৰত মানুহৰ সমাগম ইমানেই হৈছিল যে সেয়া ক'বলৈ গ'লে নিয়ন্ত্ৰণৰ বাহিৰত। চিকিৎসকেও পাইছিল অসুবিধা। ইফালে অমিতাভ বচ্চনে তেওঁ ছিংগাপুৰৰ মাউণ্ট এলিজাবেথ হাস্পতালত চিকিৎসা কৰিবলৈ পৰামৰ্শ দিয়ে। অৱশেষত তালৈ নিবলৈ সিদ্ধান্ত ল'লে। এইক্ষেত্ৰত মই যিহেতু কিছুদিন ধৰি ছিংগাপুৰতেই আছিলোঁ সেয়ে প্ৰযোজক বিজয় শংকৰে মোলৈ ফোন কৰি তেওঁৰ চিকিৎসাৰ সমুদায় বন্দৱস্তি কৰিবলৈ মোক দায়িত্ব দিলে। তেতিয়া মই যিহেতু ছিংগাপুৰৰ পৰা চেন্নাইলৈ আহি আছোঁ সেয়ে তেওঁৰ পৰা মই অলপ সময় বিচাৰিলোঁ। আৰু সেই ছেগতে মই ছিংগাপুৰৰ হাস্পতালৰ চিকিৎসক আৰু তাৰ কেইবাগৰাকীৰ লগত কথা পাতি এই দায়িত্ব গ্ৰহণ কৰাৰ কথা মই প্ৰযোজকগৰাকীক জনাই দিলোঁ। তেতিয়া তেওঁ মোক এই সমগ্ৰ কথাখিনি গোপনে ৰাখিবলৈ ক'লে। কাৰণ কেনেবাকৈ কথাটো ফাদিল হ'লে জনসমাগমৰ বাবেই হাস্পতালৰ পৰা স্থানান্তৰ কৰাটো সমস্যা হৈ পৰিব। সেয়ে অতি সন্তৰ্পণে সমগ্ৰ কাৰ্য সমাপন কৰি পিছদিনাই ৰজনীকান্তৰ পৰিয়ালসহ ছিংগাপুৰলৈ উৰা মাৰিলোঁ। তাত তিনি মাহ তেওঁৰ চিকিৎসা কৰোৱা হৈছিল। কেইবা কোটি টকা খৰচ হৈছিল। আৰু এই সমুদায় খৰচ মোৰ জৰিয়তেই কৰা হৈছিল। প্ৰায় ৩ মাহৰ অন্তত সুস্থ হোৱাৰ পিছত ৰজনীকান্ত আৰু পৰিয়ালৰ লগত মই চেন্নাইলৈ আহিছিলোঁ। আচলতে চিকিৎসাৰ কামখিনি নিষ্ঠা আৰু দায়িত্বসহকাৰে কৰি দিয়া বাবে মোৰ প্ৰতি ৰজনীকান্ত যথেষ্ট সন্তোষিত হৈ পৰে। ইতিমধ্যে ৰজনীকান্ত শাৰীৰিকভাৱে যথেষ্ট পৰিমাণে সুস্থ হৈ উঠে। দীৰ্ঘ বিৰতিৰ পিছত মই চেন্নাইলৈ অহাৰ এই সময়ছোৱাতে তাত মোৰ 'ভীষ্ম' শীৰ্ষক এখন প্ৰদৰ্শন আছিল। বিখ্যাত চেন্নাই মিউজিয়াম থিয়েটাৰত এই শ্ব'ৰ আয়োজন কৰা হৈছিল। আৰু দুশ বিশেষভাৱে সক্ষম ল'ৰা-ছোৱালীৰ সন্মুখত মোৰ প্ৰদৰ্শনৰ বন্দৱস্তি কৰা হৈছিল। এইক্ষেত্ৰত সৌভাগ্যৰ কথা যে ৰজনীকান্তে মোৰ এই শ্ব'টো চাবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। তেতিয়া মই এই কথা অতি গোপনে ৰাখিলোঁ। কাৰণ ৰজনীকান্ত অহা মানেই নিয়ন্ত্ৰণহীন মানুহৰ সমাগম। সেয়ে তেওঁ অহাৰ আগমুহূৰ্তলৈ কথাটো গোপনে ৰাখিছিলোঁ। অৱশেষত যথাসময়ত তেওঁ উপস্থিত হৈ মোৰ শ্ব' সানন্দে উপভোগ কৰিলে। শ্ব'ৰ অন্তত তেওঁ কেইগৰাকীমান বিশেষভাৱে সক্ষম ল'ৰা-ছোৱালীৰ লগত কিছু কথাও পাতিছিল। এই শ্ব'ৰ পিছতে তেওঁ তাত উপস্থিত থকা সংবাদিকৰ সৈতে কথা পাতে। অসুস্থ হোৱাৰ পিছত পুনৰ আৰোগ্য লাভ কৰি প্ৰথমবাৰ সংবাদ মাধ্যমৰ সৈতে কথা-বতৰা প্ৰসংগত অন্যান্য কথাৰ লগতে মোৰ কিছু কথাও উল্লেখ কৰে। তাতেই তেওঁ মোক— 'She is my third daughter' বুলি প্ৰকাশ কৰি দিয়ে। তেতিয়াৰ পৰাই তেওঁক মই সদায় পিতৃৰ দৰে জ্ঞান কৰি আহিছোঁ। মই তেওঁক 'আপ্পা' বুলি মাতোঁ। মাক লতাম্মা বুলি মাতোঁ।

■ **ছুপাৰষ্টাৰ ৰজনীকান্তৰ সান্নিধ্যৰে তেওঁৰ ব্যক্তিত্ব সন্দৰ্ভত কিছু কথা ক'ব নেকি?**

ঃ মই 'আপ্পা' বুলি সম্বোধন কৰা ৰজনীকান্ত বিখ্যাত অভিনেতা। কিন্তু এইগৰাকী বলিষ্ঠ অভিনেতাৰ মোৰ যেতিয়া প্ৰথম সান্নিধ্য লাভৰ সৌভাগ্য হৈছিল দৰাচলতে সেই সময়ত তেওঁ শাৰিৰীকভাৱে অত্যন্ত অসুস্থ অৱস্থাত আছিল। পিছত চিকিৎসাৰ অন্তত তেওঁ সুস্থ হৈ উঠাৰ পিছৰে পৰা তেওঁৰ সৈতে মোৰ এক পাৰিবাৰিক সম্পৰ্ক গঢ়ি উঠে। তেওঁক মই 'আপ্পা' বুলি মাতোঁ। সেই সূত্ৰে তেওঁৰ ব্যক্তিগত সান্নিধ্য লাভৰ সুযোগ লাভ কৰোঁ। দৰাচলতে ৰজনীকান্ত (আপ্পা) সম্পূৰ্ণ আধ্যাত্মিক জ্ঞানসম্পন্ন লোক। ভগৱানৰ সৈতে তেওঁ আছে এক মনস্তাত্ত্বিক সম্পৰ্ক। যোগৰ দ্বাৰা প্ৰতিটো দিন আৰম্ভ কৰা ৰজনীকান্তে প্ৰায় প্ৰতিটো বছৰতে কিছুদিনৰ বাবে হিমালয়লৈ গৈ সাধনা কৰে। আধ্যাত্মিক শক্তিৰ বাবেই হয়তো গুৰুতৰভাৱে অসুস্থ হোৱা সত্ত্বেও তেওঁৰ মনৰ জোৰ দেখি মই আচৰিত হৈছিলোঁ। তেওঁ সকলো সময়তে মনৰ ফালৰ পৰা সম্পূৰ্ণ যোগাত্মক। এগৰাকী সৰল মনৰ আৰু সকলোৰে প্ৰতি গভীৰ কৃতজ্ঞতাবোধসম্পন্ন লোক। এয়া আচলতে তেওঁৰ ব্যক্তিত্বৰ এক বিশেষ উল্লেখনীয় গুণ। এগৰাকী মানুহ হিচাপে তেওঁ সদায়েই চিৰস্মৰণীয়। তেওঁৰ ব্যক্তিত্বই মোৰ নিজৰেই জীৱন সলাই দিছে। গুণ-গৰিমাৰে ভৰপূৰ ইমান বৈভৱশীল শিল্পী হোৱা সত্ত্বেও তেওঁৰ কোনো গৌৰৱ নাই। একেবাৰেই সৰল জীৱন যাপন কৰে। নিজ চকুৰে নেদেখিলে বিশ্বাসেই নহয়। কোনোদিনাই শিপাক পাহৰি নোযোৱা এই বিশাল ব্যক্তিত্বৰ গৰাকীয়ে দৰ্শকসকলক সদায় ভগৱানৰ দৰে জ্ঞান কৰে আৰু সন্মান দিয়ে। তদুপৰি তেওঁ নিজকেও খুব ভাল পায়। আৰু এয়া তেওঁৰ আন এক সুকীয়া বৈশিষ্ট্য।

■ **দাক্ষিণাত্যৰ লগত অসমৰ ছবিজগতৰ সাদৃশ্য বা বৈসাদৃশ্য সম্পৰ্কত তুলনামূলক মতামত দিব নেকি?**

ঃ দাক্ষিণাত্যৰ ছবিসমূহ সচৰাচৰ 'Globel' পৰ্যায়ৰ। লগতে 'Proffessionalism'ত গুৰুত্ব থাকে। তদুপৰি তাত অভিনয়ক ভালদৰে শিকি একদম পৰিপক্ক হৈ ছবিত ভাগ লয়। এই ক্ষেত্ৰখনত শিকাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখে। তাত শিকা বিষয়টোত অধিক গুৰুত্ব দিয়া হয়। আনহাতে দাক্ষিণাত্যৰ ছবিৰ বাজেটো বহু বেছি। কিন্তু অসমৰ ছবিসমূহৰ ক্ষেত্ৰত ইয়াৰ কিছু বৈপৰীত্য পৰিলক্ষিত হয়। স্বাভাৱিকতেই অসমীয়া ছবিৰ বাজেট তুলনামূলকভাৱে কম। অসমৰ শিল্পীসকলে যি পাৰদৰ্শিতা দেখুৱায় সেয়া প্ৰাকৃতিকভাৱেই অহা। অৱশ্যে এইক্ষেত্ৰত কিছু সহযোগিতাৰ আৱশ্যক।

■ **দৰাচলতে আপুনি এগৰাকী আন্তঃৰাষ্ট্ৰীয় শাস্ত্ৰীয় নৃত্যশিল্পী। এই গন্ধৰ্ব বিদ্যা কিদৰে শিকি আজিৰ পৰ্যায়ত উপনীত হ'ল সেই সম্পৰ্কত অলপ জনাব নেকি?**

ঃ ৪ বছৰ বয়সত মই প্ৰথমে শাস্ত্ৰীয় মণিপুৰী নৃত্য শিকিছিলোঁ গুৱাহাটীৰ মালিগাঁৱৰ গুৰু অৰবিন্দৰ ওচৰত। তাতেই কথকো শিকিছিলোঁ। পৰৱৰ্তী পৰ্যায়ত এবাৰ গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত যশস্বী নৃত্যশিল্পী ড° পদ্ম সুব্ৰমণিয়ামৰ ভাৰত নাট্যম নৃত্য দেখাৰ সৌভাগ্য হৈছিল। তেতিয়া মোৰ বয়স প্ৰায় ১১ বছৰ। তাত ভাৰত নাট্যম দেখি এই নৃত্যৰ প্ৰতি মই গভীৰভাৱে আসক্ত হৈ পৰিলোঁ। সেয়ে পিছত মই পদ্ম হৰগোপালৰ ওচৰত ভাৰত নাট্যম শিকিছিলোঁ। মোৰ আগ্ৰহ দেখি তেওঁ মোক চেন্নাইলৈ লৈ গৈ ভালকৈ নৃত্য শিকাৰ সুযোগ দিয়ে। তাত শিক্ষা গ্ৰহণ কৰি দেশৰ লগতে বিদেশতো নৃত্য প্ৰদৰ্শনৰ সুযোগ লাভ কৰোঁ। এতিয়া ভগৱানৰ কৃপা আৰু সদাশয় সকলোৰে আশীৰ্বাদ, সহযোগত মই নৃত্যৰ শিক্ষা দান কৰি আছোঁ।

■ **নৃত্য সাধনাৰ ক্ষেত্ৰ হিচাপে অসম সম্পৰ্কত আপোনাৰ মতামত কি?**

ঃ অসমত নৃত্যৰ গভীৰ সাধনা চলি আছে। ইয়াৰ বিশেষকৈ নৃত্যশিল্পীসকল প্ৰাকৃতিকভাৱেই বিশেষভাৱে গুণপুষ্ট। নিশ্চিতভাৱে ই আমাৰ সকলোৰে বাবেই শুভ বাৰ্তা। অৱশ্যে ইয়াৰ বিপৰীতে এই ক্ষেত্ৰখনত কিছু 'শ্বৰ্ট কাট' পৰিলক্ষিত হয়। যি দৰাচলতে পশ্চাৎগামী, মানে চিধাকৈ ক'বলৈ হ'লে কিছুসংখ্যকে নৃত্যৰ অলপ জ্ঞান আহৰণ কৰিয়েই মঞ্চত উঠিবলৈ ইচ্ছুক হৈ পৰে। দৰাচলতে ই সঠিক নহয়। মঞ্চত উঠি নচাতহে এইসকলৰ গুৰুত্ব থাকে। কিন্তু তাৰ পৰিৱৰ্তে নৃত্যৰ জ্ঞান আহৰণ কৰি সম্পূৰ্ণ শিকি-বুজিহে মঞ্চ বা আন ক্ষেত্ৰলৈ মন মেলিব লাগে। মই নিজেও ভাৰত নাট্যমৰ গভীৰ শিক্ষা গ্ৰহণৰ বাবেহে দাক্ষিণাত্যলৈ গৈছিলোঁ। নিশ্চিতভাৱে তাত নৃত্যৰ গভীৰ সাধনা গ্ৰহণ কৰিব পাৰি। চেন্নাইত মই ভাৰত নাট্যমৰ সঠিক সাধনা গ্ৰহণৰ সুযোগ পাইছোঁ। এয়া মোৰ পৰম সৌভাগ্য। নৃত্য শিক্ষাৰ ক্ষেত্ৰত নিয়মানুৱৰ্তিতাৰ খুবেই আৱশ্যক।

■ **দেশৰ উপৰি আপুনি কেইবাখনো বিদেশী ৰাষ্ট্ৰত ভাৰতীয় নৃত্যৰ প্ৰদৰ্শন আৰু প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। এইক্ষেত্ৰত আপুনি কেনেদৰে সঁহাৰি লাভ কৰিছে?**

ঃ হয়, দেশৰ উপৰি আমেৰিকা, কানাডা, শ্ৰীলংকা, ম্যানমাৰ, মালয়েছিয়া, লণ্ডন আদিকে ধৰি কেইবাখনো বিদেশী ৰাষ্ট্ৰত মই মূলতঃ ভাৰত নাট্যম নৃত্যৰ প্ৰদৰ্শন আৰু প্ৰশিক্ষণ প্ৰদান কৰাৰ কাম কৰি আছোঁ। এইক্ষেত্ৰত ব্যাপক সঁহাৰি লাভ কৰিছোঁ। ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ প্ৰতি সংশ্লিষ্ট সকলো বিদেশী লোকেই যথেষ্ট আগ্ৰহী। নিউয়ৰ্কৰ বিখ্যাত মেট্ৰ'পলিটান মিউজিয়ামতো মই ভাৰতীয় শাস্ত্ৰীয় নৃত্য প্ৰদৰ্শন কৰিছোঁ। ৰাছিয়া, জাপান, ফ্ৰান্স, ইটালীতো ভাৰত নাট্যম শিকা মোৰ বহু শিক্ষাৰ্থী আছে। সময় ব্যয় কৰি মোৰ ওচৰত প্ৰশিক্ষণ গ্ৰহণ কৰাটোৱেই ভাৰত নাট্যম শিকাৰ প্ৰতি থকা গভীৰ ধাউতিৰ কথাকেই স্পষ্ট কৰি দিছে। ইয়াক লৈ মই পৰম সুখী।

■ **অসমত নৃত্যক লৈ কিবা ভৱিষ্যৎ পৰিকল্পনা আছে নেকি?**

ঃ অসমত ভৱিষ্যতে নৃত্য, যোগ আদিক লৈ এটা ভাল প্ৰতিষ্ঠান কৰাৰ ইচ্ছা আছে। বাইদেউ মিতালী দুৱৰাকে লৈ আন কিছুসংখ্যকৰ লগত আলোচনা কৰি ইয়াক কাৰ্যকৰী কৰাৰ হেঁপাহ।

■ **নৃত্যক লৈ আপোনাৰ এটা ভাল সংগঠন আছে। অলপ ক'ব নেকি?**

ঃ মূলতঃ শাস্ত্ৰীয় নৃত্যক লৈ মোৰ এটা সংগঠন আছে। নাম 'মানু আৰ্টছ'। ২০০৪ বৰ্ষত এই সংগঠনটো প্ৰতিষ্ঠা কৰা হৈছিল। নৃত্যৰ প্ৰদৰ্শন, সৃজনীমূলক আৰু সেৱামূলক কাম কৰাই এই সংগঠনটোৰ অন্যতম প্ৰধান লক্ষ্য। ইয়াৰ মুখ্য কাৰ্যালয় চেন্নাইত।




সাক্ষাৎগ্ৰহণ ঃ **নৱ কুমাৰ শৰ্মা**

ফোন ঃ ৯৯৫৪৫-৯০১৩৩

ফটো ঃ **দিব্যজ্যোতি ৰাভা**

আমাৰ ঐতিহ্য

মা সাৰদাপীঠ হিন্দু ধৰ্মাৱলম্বী লোকৰ এক পৱিত্ৰতম তীৰ্থক্ষেত্ৰ। নৈষ্ঠিক কাশ্মীৰী পণ্ডিতসকলৰ দিনচৰ্চা আৰম্ভ হয় তেওঁলোকৰ কুলদেৱী মা সাৰদাৰ বন্দনাৰে — 'নমস্তে সাৰদা দেৱী কাশ্মীৰপুৰ বাসিনী। তম হম প্ৰাৰ্থেয় নিত্যম বিদ্যা দানম চে দে হি মাদী'। কাশ্মীৰী হিন্দুৰ মানসত মা সাৰদা সৰস্বতী দেৱীৰেই আন এটি ৰূপ। পিছে বৰ দুখৰ কথা যে পাকিস্তানে অবৈধভাৱে কাশ্মীৰৰ বৃহৎ ভূখণ্ড দখল কৰা দিন ধৰি কাশ্মীৰী পণ্ডিতসকলৰ কুলদেৱী মা সাৰদাৰ সেই পৱিত্ৰ তীৰ্থ অৱহেলিত আৰু পৰিত্যক্ত হৈ থাকি লাহে লাহে খণ্ডহৰ হৈ উঠিছে। পাকিস্তানী সেনা কৰ্তৃত্বই ইয়াক একেবাৰে ভাঙি পেলোৱাৰ গোপন যো-জা চলাইছে। মা সাৰদাপীঠ দেশ বিভাজনৰ বাবে পাকিস্তানত ৰৈ যোৱা ধৰ্মস্থান নহয়। এয়া পাকিস্তানৰ অবৈধ কব্জাত থকা কাশ্মীৰৰ এক পৱিত্ৰতম হিন্দু তীৰ্থ যাৰ কিছু অংশ ভাঙি পাকিস্তানৰ সৈনিকৰ বাবে কফী হাউছ নিৰ্মাণ কৰা হৈছে বুলি বাতৰি প্ৰকাশ হৈছে। ১৯৭১ৰ সুবৰ্ণ সুযোগ ব্যৱহাৰ কৰি ভাৰতীয় নেতৃত্বই সমগ্ৰ পাক অধিকৃত কাশ্মীৰ মা সাৰদাপীঠসহ ঘূৰাই ল'ব পাৰিলেহেঁতেন। পিছে ৰহস্যজনক কাৰণত ফিল্ড মাৰ্শ্বাল মানেকশ্ব'ক পশ্চিম পাকিস্তান আক্ৰমণ কৰি পাক অধিকৃত কাশ্মীৰ ঘূৰাই অনাৰ অনুমতি দিয়া নহ'ল। হিন্দু ধৰ্ম আৰু সনাতন সংস্কৃতিৰ চিন-মোকাম নোহোৱা কৰিবলৈ চলি অহা গোপন ষড়যন্ত্ৰৰ ফলতেই অবিভক্ত কাশ্মীৰৰ কৃষ্ণগংগাৰ নাম দিলে নীলম, গৌৰীমাৰ্গ, নামাংকিত হ'ল গুলমাৰ্গ হিচাপে আৰু সুৰেশ্বৰী দল হৈ পৰিল ডাল লেক ইত্যাদি। এই কথা আজি পাহৰণিৰ গৰ্ভত যে খ্ৰীষ্টীয় পঞ্চম শতিকাত কামৰূপৰ ৰজা বলবৰ্মনৰ জীয়ৰী অমৃতপ্ৰভাক কাশ্মীৰৰ ৰজা মেঘ বাহনলৈ বিয়া দিয়া হৈছিল। অসমৰ জীয়ৰী অমৃতপ্ৰভাই বিয়াৰ পিছত স্বামীৰ লগ হৈ কাশ্মীৰৰ প্ৰজাৰ বাবে বহুতো জনকল্যাণৰ কাম কৰাৰ উপৰি খ্ৰীষ্টীয় পঞ্চম শতিকাতেই অবিভক্ত কাশ্মীৰত বৌদ্ধ ভিক্ষুৰ বাবে অমৃতভৱন নিৰ্মাণ কৰোৱাইছিল। অথচ এই ইতিহাস সৰহসংখ্যক লোকৰ অৱগত নহয়। আনহে নালাগে বৃহৎসংখ্যক ভাৰতীয় লোক মা সাৰদাপীঠৰ ঐতিহ্য সম্পৰ্কেই সচেতন নহয়।

মা সাৰদাৰ বহুতো কিম্বদন্তী আছে। কাশ্মীৰৰ প্ৰাচীন ভৌগোলিক আৰু সাংস্কৃতিক বৰ্ণনা থকা নীলমত পুৰাণ। মহাত্মায়াত উল্লেখ আছে যে শাণ্ডিল্য ঋষিয়ে মা সাৰদাৰ দৰ্শন পাবলৈ কঠোৰ তপস্যা কৰিছিল। তপস্যাত সন্তুষ্ট হৈ মা সাৰদাই ঘোষ নামে ঠাইত (বৰ্তমানৰ পাক অধিকৃত কাশ্মীৰৰ গুচি নামে গাঁৱত) শাণ্ডিল্য ঋষিক দেখা দি সাৰদাৰ মনোৰম উপত্যকাত সদায় বিৰাজমান হৈ ৰ'ব বুলি কয়। মাৰ দৰ্শনত শাণ্ডিল্য ঋষি ইমান বিমুগ্ধ হয় যে কিছুদূৰ সাৰদা দেৱীৰ পিছে পিছে গৈ থাকে। কিন্তু ঘোষা বা আজিৰ গুচি গাঁৱৰ পৰা চাৰি কিঃমিঃ দূৰৰ হয় শিৰাশ্ৰম (বৰ্তমানৰ হয়হম)ত দেৱী অদৃশ্য হৈ পৰে। কথিত আছে যে তপস্যাত সিদ্ধি লাভ কৰি শাণ্ডিল্য ঋষিয়ে কৃষ্ণগংগা নৈত গা ধুবলৈ যায়। পিছে গা ধুই উঠি দেখে যে তেওঁৰ আধা শৰীৰ সোণালী বৰণীয়া হৈ জিলিকি উঠিছে। কাৰণ তেওঁ সাৰদা দেৱীৰ পৱিত্ৰ দৰ্শনত সৰ্বজ্ঞানেৰে জ্ঞানী হৈ উঠিছিল। মহাত্মায়াত

…কৃষ্ণগংগা নৈৰ পাৰতেই গৌতম ঋষিৰ আশ্ৰম আছিল। কথিত আছে যে সতীৰ সোঁহাতখন সাৰদাপীঠতেই পৰিছিল। সেই কাৰণেই সাৰদাপীঠক হিন্দুৰ পৱিত্ৰ ৫১ শক্তিপীঠৰ অন্যতম বুলি ধৰা হয়। বুৰঞ্জীৰ পাত লুটিয়ালে পোৱা যায় যে সাৰদাপীঠ (যাক সাৰদা মঠ বুলিও কোৱা হয়) প্ৰাচীন ভাৰতৰ বিশিষ্ট শিক্ষা কেন্দ্ৰ আছিল…





## পৱিত্ৰতম তীৰ্থক্ষেত্ৰ

# মা সাৰদাপীঠ

এই ঠাইক সুৱৰ্ণ অৰ্ধগংগা বুলি উল্লেখ কৰিছে। ইয়াৰ পৰা শাণ্ডিল্য ঋষি উত্তৰ দিশৰ পাহাৰলৈ যায় য'ৰ ৰংগৱতী (বৰ্তমান নাম ৰঙভৰ) অৰণ্যত নৃত্যৰতা মা সাৰদাক পুনৰ দেখা পায়।

কৃষ্ণগংগা নৈৰ পাৰতেই গৌতম ঋষিৰ আশ্ৰম আছিল। কথিত আছে যে সতীৰ সোঁহাতখন সাৰদাপীঠতেই পৰিছিল। সেই কাৰণেই সাৰদাপীঠক হিন্দুৰ পৱিত্ৰ ৫১ শক্তিপীঠৰ অন্যতম বুলি ধৰা হয়। বুৰঞ্জীৰ পাত লুটিয়ালে পোৱা যায় যে সাৰদাপীঠ (যাক সাৰদা মঠ বুলিও কোৱা হয়) প্ৰাচীন ভাৰতৰ বিশিষ্ট শিক্ষা কেন্দ্ৰ আছিল। খ্ৰীষ্টীয় ষষ্ঠ শতিকাত নিৰ্মিত সাৰদাপীঠৰ মন্দিৰ গৃহ জ্ঞান, সংগীত আৰু কলাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ নামেৰে উৎসৰ্গিত। ইয়ালৈ দূৰ-দূৰণিৰ পণ্ডিত, দাৰ্শনিক, ছাত্ৰ-ছাত্ৰী অধ্যয়নৰ বাবে আহিছিল। সংস্কৃত সাহিত্য, দৰ্শন, বেদ অধ্যয়ন আদিৰ শিক্ষা তথা গৱেষণাই সাৰদাপীঠত গুৰুত্ব লাভ কৰিছিল। খ্ৰীষ্টীয় অষ্টম শতিকাত কাৰকোটা ৰাজবংশৰ ৰজা ললিতাদিত্য মুক্তপিদাৰ ৰাজত্বকালত সাৰদাপীঠে উৎকৰ্ষতাৰ চৰম বিন্দু পায়। কাৰকোটা বংশৰ পতন আৰু খ্ৰীষ্টীয় চতুৰ্দশ শতিকাত কাশ্মীৰত ইছলামিক প্ৰশাসকৰ উত্থানৰ পিছত সাৰদাপীঠে ক্ৰমান্বয়ে পূৰ্বৰ গুৰুত্ব হেৰুৱাই পেলালে। সেয়ে হ'লেও হিন্দু পৰম্পৰা আৰু কাশ্মীৰী সংস্কৃতিত সাৰদাপীঠ সদায়ে তাৎপৰ্যপূৰ্ণ হৈ ৰয়। সাৰদাপীঠৰ নামেৰে নামকৰণ কৰা সাৰদ লিপি সংস্কৃত আৰু কাশ্মীৰী ভাষাৰ গ্ৰন্থ লিখাৰ বাবে বহুলভাৱে ব্যৱহাৰ হৈছিল। অতীজৰ গৌৰৱময় শিক্ষা কেন্দ্ৰ আৰু পৱিত্ৰ তীৰ্থ মা সাৰদাপীঠ ঐতিহাসিক নথিপত্ৰত থকা মতে এসময়ত ৭৫ হেক্টৰ ভূমিত বিস্তৃত আছিল। কিন্তু সময়ৰ আঁচোৰ আৰু মানুহৰ অৱহেলাত জৰ্জৰিত হৈ এতিয়া মাত্ৰ ১.৫ হেক্টৰ ভূমিত সংকুচিত হৈ পৰে। এই অঞ্চলৰ লোকসকল ধৰ্মান্তৰিত হৈ ইছলামধৰ্মী হ'ল যদিও আজিও তেওঁলোকে মা সাৰদাপীঠক সন্মানৰ দৃষ্টিৰে চায়। পৱিত্ৰতাক সমীহ কৰে। কোৱা হয় যে ১৯৪৮ চনৰ ৩১ ডিচেম্বৰৰ মাজনিশা ভাৰত-পাকিস্তানৰ মাজত চিজফায়াৰ হোৱাৰ পিছত স্থানীয় গাঁওবাসীৰ সংৰক্ষণৰ বাবেই মা সাৰদাপীঠৰ অধিক ক্ষতি নোহোৱাকৈ আছিল। পিছে পাকিস্তানৰ কুখ্যাত চোৰাংচোৱা সংস্থা ISI আৰু পাক সেনাৰ উচটনিত কেতবোৰ লোকে লাহে লাহে সাৰদাপীঠৰ ভূমি বেদখল কৰে আৰু মন্দিৰ

▢ প্ৰাণ প্ৰতীম বৰদলৈ

তথা প্ৰাচীন শিক্ষানুষ্ঠানৰ অৱশিষ্টসমূহ ধ্বংস কৰিবলৈ লয়। পাকিস্তানে এই ঠাইত উগ্ৰপন্থী সংগঠনৰ ঘাটি স্থাপিত কৰি কাশ্মীৰ উপত্যকালৈ অনুপ্ৰৱেশ কৰাবলৈ অহৰহ চেষ্টা কৰি আহিছে। ইতিহাসৰ নিৰপেক্ষ বিশ্লেষণ কৰি বহু গৱেষকে মতপোষণ কৰে যে যদিহে পণ্ডিত জৱাহৰলাল নেহৰুৱে জম্মু-কাশ্মীৰৰ প্ৰতিৰক্ষা বিশেষ বিষয় হিচাপে নিজৰ হাতত নাৰাখি গৃহ বিভাগতেই ৰাখিলেহেঁতেন তেতিয়া হয়তো কেতবোৰ ঐতিহাসিক ভুল নহ'লহেঁতেন। সম্পূৰ্ণ নেহেৰু কেবিনেটৰ বিৰোধিতা আৰু জেনেৰেল থিম্মায়াৰ অসন্মতিৰ পিছতো জম্মু-কাশ্মীৰৰ বৃহৎ অংশ পাকিস্তানৰ দখললৈ এৰি দি নেহৰুৱে লৰালৰিকৈ চিজফায়াৰ কৰায়। ইতিহাসৰ পাতত এই উল্লেখো আছে যে নেহৰুক এনে কৰিবলৈ লৰ্ড মাউণ্টবেটেন আৰু ইংলেণ্ডৰ তৎকালীন প্ৰধানমন্ত্ৰী ক্লিমেণ্ট এটলিয়ে জোৰ দিছিল। দৰাচলতে ব্ৰিটিছে বিচাৰিছিল যে কাশ্মীৰ ভাৰত-পাকিস্তানৰ মাজৰ অমীমাংসিত বিবাদ হৈ পৰক আৰু এই বিবাদৰ বাবে অনন্তকাল যুদ্ধত ব্যস্ত হৈ ভাৰত-পাকিস্তান উভয় দেশেই কঁকাল দাঙিব নোৱাৰা হৈ ৰওক। নেহৰুৱে চিজফায়াৰত সন্মতি দিয়াৰ নিশা ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী আৱাসত এক নৈশ ভোজৰ আয়োজন হৈছিল। কাৰণ? ইংৰাজে বিচৰা মতেই বিষয়টো অমীমাংসিত হৈ থাকি ভাৰতত ভৱিষ্যৎ অশান্তিৰ বীজ ৰোপণ কৰা হৈ গৈছিল। মস্কোত বহি তেতিয়াৰ ছোভিয়েট ইউনিয়নৰ শাসক ষ্টেলিনে কাশ্মীৰ সন্দৰ্ভত ভাৰতৰ ভুলৰ আলেখলেখ চাই নেহৰুক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল।

যি কি নহওক, কৃষ্ণগংগা (পাকিস্তানীয়ে নীলম নৈ বুলি কয়) নৈৰে অনেক পানী বৈ গ'ল। স্বাধীনতাৰ সাতটা দশকত কোনো চৰকাৰে পাক অধিকৃত কাশ্মীৰ ঘূৰাই অনাৰ চেষ্টা নকৰিলে। মা সাৰদাপীঠক যেন জোৰকৈ জনমানসৰ পৰা মচি পেলোৱাৰ চেষ্টা চলিল। পিছে গৃহমন্ত্ৰী অমিত শ্বাহে সংসদত দিয়া এটা প্ৰশ্নৰ উত্তৰত সাৰদাপীঠ ভাৰতলৈ ঘূৰাই অনা হ'ব বুলি দৃঢ়তাৰে কয়। সাৰদাপীঠক কেতিয়া আৰু কেনেকৈ ভাৰতলৈ ঘূৰাই অনা হ'ব সেয়া নক'লেও তেখেতৰ বক্তব্যই চাঞ্চল্যৰ সৃষ্টি কৰে। লক্ষণীয়ভাৱে গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰতৰ সংসদত এই বক্তব্য দিয়াৰ কেইঘণ্টামান পিছতেই পাক অধিকৃত কাশ্মীৰৰ চৰকাৰে মুজাফৰাবাদস্থিত এছেম্বলিত সৰ্বসন্মতভাৱে হিন্দুৰ পৱিত্ৰ তীৰ্থস্থান সাৰদপীঠ দৰ্শনৰ বাবে কাৰ্তাৰপুৰ কৰিড'ৰৰ দৰে সাৰদা কৰিড'ৰো হৈ উঠিব লাগে বুলি সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে। আচৰিত কথাটো হ'ল— ইয়াৰ পৰৱৰ্তীকালত পাকিস্তান চৰকাৰেও সাৰদাপীঠৰ নষ্ট হৈ যোৱা অংশৰ সামান্য মেৰামতি কৰি সদিচ্ছা প্ৰকাশ কৰে। পিছে এয়া ভাৰতৰ গৃহমন্ত্ৰীয়ে সংসদত দিয়া শক্তিশালী বক্তব্যৰ পিছত পাকিস্তানে আশংকাত কৰা কাম নে প্ৰকৃত সদিচ্ছা সেয়া সময়েহে ক'ব। কাৰ্তাৰপুৰ কৰিড'ৰৰ দৰে সাৰদা কৰিড'ৰো হৈ উঠিলে একাৰন্ন শক্তিপীঠৰ অন্যতম সাৰদাপীঠ দৰ্শনৰ বাবে তীৰ্থযাত্ৰীসকল অহা-যোৱা কৰিব পাৰিব আৰু মন্দিৰ পৰিসৰৰ অৱশিষ্ট অংশ চিৰকাললৈ বিলুপ্ত হোৱাৰ পৰা ৰক্ষা পৰিব।

**ফোন ঃ ৭৮৯৬৬-৯৪৫৫৯**





# কামৰূপৰ শ্ৰমজীৱী মহিলাৰ উত্তৰণৰ যাত্ৰা

## আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰ

▢ দিগন্ত শৰ্মা

**সাধাৰণ** দৃষ্টিত পেলনীয়া বা মূল্যহীন বস্তু হিচাপে বিবেচিত কিছুমান সামগ্ৰীক সম্পদলৈ ৰূপান্তৰ কৰাৰ দৰে এক পৰিৱৰ্তনকামী কাম কৰি উজলি উঠিছে অসমৰ কামৰূপ জিলাৰ একাংশ লোক। এইক্ষেত্ৰত বিশেষভাৱে আগুৱাই গৈছে মহিলাসকল। এই কৰ্মৰে একালৰ অভাৱগ্ৰস্ত, দৰিদ্ৰতাৰ কবলত পৰা লোকসকলে নিজৰ আৰ্থিক উত্তৰণ সম্ভৱ কৰি তুলিছে। আনকি দিনে এটকাও উপাৰ্জন কৰিবলৈ যিসকল লোক সক্ষম হোৱা নাছিল, তেনে লোকে এতিয়া মাহে দহ হেজাৰৰ পৰা পোন্ধৰ হেজাৰ টকা পৰ্যন্ত অৰ্জন কৰিবলৈ সক্ষম হৈছে। কামৰূপ জিলাৰ ছয়গাঁও অঞ্চলৰ বামুণীগাঁও এলেকাৰ এইসকল লোকে কৰা এই ব্যতিক্ৰমী কৰ্মই আনকো আকৰ্ষিত কৰিছে। উল্লেখ্য যে গ্ৰামাঞ্চলত তামোল গছৰ ঢকুৱাবোৰ সাধাৰণতে বিশেষ গুৰুত্বপূৰ্ণ কামত ব্যৱহাৰ নহয়। কিছুমান লোকে বাৰীৰ কাষত বেৰ দিবলৈ ব্যৱহাৰ কৰে যদিও এইবিধ বস্তুৱে কোনোদিনে পৰিয়ালত কোনো কামতে আগস্থান নাপায়। পেলনীয়া বস্তু বা আৱৰ্জনাৰ দৰে বিবেচনা কৰে বহুতে। আনকি এচামে ঢকুৱাবোৰ শুকুৱাই জুইত পুৰি পেলায়। কিন্তু এই তামোলৰ ঢকুৱাবোৰক ছয়গাঁও, বামুণীগাঁও, বাঘমাৰা আদি গাঁৱৰ এচাম মহিলাই ৰূপান্তৰ কৰিছে মূল্যৱান সম্পদলৈ। ঢকুৱাৰ পৰা কাঁহী, চামুচ, প্লেট, বাটি আদিৰ উপৰি অন্যান্য বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰিছে আৰু সেইবোৰ বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰি আহিছে। একালত উপাৰ্জনহীন এইসকল মহিলাই তামোল গছৰ ঢকুৱাবোৰক পণ্য সামগ্ৰীলৈ ৰূপান্তৰিত কৰি নিজ গৃহতে আৰ্থিকভাৱে স্বাৱলম্বী হৈ পৰিছে কামৰূপ গ্ৰাম্য জিলাৰ এইসকল মহিলা। গুৱাহাটীৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ নিলগৰ ছয়গাঁও আৰু বনগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও একাংশত তামোলৰ ঢকুৱাৰ ব্যৱহাৰৰ বহু ক্ষুদ্ৰ উদ্যোগ স্থাপন হৈছে। ছয়গাঁৱৰ এগৰাকী মহিলা প্ৰণতি ৰাভাই ক'লে, 'মই কেতিয়াও ভবা নাছিলোঁ যে তামোল গছৰ ঢকুৱাৰ দৰে আৱৰ্জনাৰে কেৱল অসমতে নহয়, সমগ্ৰ দেশতে চাহিদা থকা সামগ্ৰী প্ৰস্তুত যে কৰিব পাৰি। এই কামে মোৰ লগতে অনেক লোকৰ জীৱিকা আৰু অৰ্থ উপাৰ্জনৰ বাট মুকলি কৰিছে। এসময়ত মোৰ কোনো উপাৰ্জন নাছিল। কিন্তু এই কামৰ জৰিয়তে মই মাহে পোন্ধৰ হেজাৰ টকা পৰ্যন্ত উপাৰ্জন কৰোঁ।' উল্লেখ্য যে তেওঁ অঞ্চলটোৰ আন একাংশ মহিলাৰ স'তে কেইবছৰমান পূৰ্বে এটা বেচৰকাৰী সংস্থাৰ জৰিয়তে তামোল গছৰ ঢকুৱাৰ পৰা প্লেট প্ৰস্তুত কৰাৰ প্ৰশিক্ষণ দিয়াৰ লৈছিল। যেতিয়া এই কামটো প্ৰথম কৰিছিল, তেতিয়া কোনোৱেই বিশ্বাস কৰিব পৰা নাছিল যে এবিধো পেলনীয়া সামগ্ৰীক এনে এটা সামগ্ৰীলৈ ৰূপান্তৰিত কৰিব পৰা যায়, যাৰ কেৱল সমগ্ৰ বিশ্বতে এক লাভজনক বজাৰ আছে। লগতে ইয়াৰ আছে পৰিৱেশ অনুকূল মান্যতা, যাৰ ব্যৱহাৰে পৰিৱেশ প্ৰদূষিত নকৰে।

প্ৰণতি ৰাভাৰ উপৰি অঞ্চলটোৰ কেইবাশ মহিলা এই কামৰ স'তে জড়িত হৈ আছে। অঞ্চলটোত আছে ২৫টা উদ্যোগ। যিবোৰ ঘৰুৱা উৎপাদন গোটৰ সৈতে পাঁচ শতাধিক লোক কেঁচামাল সংগ্ৰাহক হিচাপে নিযুক্ত হৈ আছে। লগতে মেচিন অপাৰেটৰ হিচাপে নিয়োজিত হৈ আছে শতাধিক মহিলা। এই উদ্যোগসমূহ স্থাপনৰ ফলত অঞ্চলটোত প্ৰচুৰ পৰিমাণে উপলব্ধ স্থানীয় কেঁচামালৰ জৰিয়তে গ্ৰাম্য মহিলাসকলৰ আয় বৃদ্ধি হৈছে। ইয়াৰে মহিলাসকলে নিজা ব্যৱসায়ৰে আৰু স্বতন্ত্ৰভাৱে উপাৰ্জন গঢ়ি তুলিবলৈ সক্ষম হৈছে। একেদৰে, উদ্যোগী মহিলা অল্পনা দাসে জানিবলৈ দিয়ে যে ঢকুৱাৰ পৰা প্লেট প্ৰস্তুত কৰি তেওঁলোকে দৈনিক ২৫০-৪০০ টকা উপাৰ্জন কৰে আৰু ইয়াৰ ফলত তেওঁলোকৰ আৰ্থিক অৱস্থা যথেষ্ট উন্নত হৈছে। আন এগৰাকী উদ্যোগী দীপা ৰাভাই জানিবলৈ দিয়ে যে তামোলৰ ঢকুৱাৰ মৌলিক কেঁচামালৰ কোনো আৰ্থিক মূল্য নাই, কিন্তু স্থানীয় লোকৰ পৰা প্ৰতিখন ঢকুৱা এটকা বা ডেৰ টকাকৈ ক্ৰয় কৰোঁ। তামোল প্লেটছ মাৰ্কেটিং প্ৰাইভেট লিমিটেড (টিপিএমপিএল) নামৰ এটা কোম্পানীয়ে সামগ্ৰীসমূহ প্ৰত্যক্ষভাৱে ক্ৰয় কৰে। মহিলা উদ্যোগীসকলক সামগ্ৰীৰ বিনিময়ত ক্ৰয় কৰাৰ ২০ দিনৰ ভিতৰত ধন পৰিশোধ কৰে। উল্লেখ্য যে একোখন প্লেটত চাৰিৰ পৰা পাঁচ টকা পৰ্যন্ত দৰত বিক্ৰী কৰি আহিছে।

তামোলৰ ঢকুৱাৰ ব্যৱসায়েৰে অঞ্চলটোৰ মহিলাসকলে ঘৰৰ পৰাই মাহেকীয়া উপাৰ্জন কৰি আহিছে আৰু সকলোৰে আৰ্থিক উত্তৰণ সম্ভৱ হৈছে। কোনোৱে সামগ্ৰী প্ৰস্তুত কৰাত জড়িত, আন কোনোবাগৰাকী হয়তো ঢকুৱা সংগ্ৰহ কৰা কাৰ্যত নিযুক্ত— মুঠতে পেলনীয়া বস্তু হিচাপে এসময়ত বিবেচিত তামোলৰ ঢকুৱাক সম্পদলৈ ৰূপান্তৰ কৰি এসময়ত কোনো উপাৰ্জন নথকা দৰিদ্ৰ পৰিয়ালৰ এই সকল মহিলা এতিয়া স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। অভাৱৰ তাড়নাৰ পৰা উত্তৰণ ঘটাই প্ৰগতিৰ দিশে আগুৱাইছে ব্যতিক্ৰমী কৰ্মৰে।

**ফোন ঃ ৮৬৩৮৬-৯৮৪৫০**



## কবিতা

### ৰং

▢ বিভা বৰ্মন

এৰাসুঁতিৰ দুপাৰত
দুপৰীয়াৰ জলমল ৰ'দ।
ৰংবোৰে কথা পতাৰ
সময়তে
দুপৰীয়া হয়।
নিজান দুপৰীয়াটোৱে
ৰংবোৰৰ
কথা শুনে।
কলমটিয়াই
থকা দুপৰীয়াটোৱে
ৰংবোৰৰ কথা শুনি
ৰঙীন ফুলৰ
এখন বাগিচা হয়।
ৰংবোৰৰ এটা
নিজৰ সপোন
আছে বাবেই
সকলোৰে লগৰীয়া।
কথাটো ভাবিলে
দুপৰীয়াটো থৰ হয়।
ৰংবোৰৰ বাবেইতো
জিলমিল ৰ'দৰ
হাবিয়াস।
জীৱনৰ ৰঙীন
ফুলৰ সুবাসত
জীয়াই থকাৰ।

**ফোন ঃ ৯১০১৩-৯৮৫০৬**



### নেদেখা নদীৰ ঘাট

▢ সীমাশ্ৰী ৰাজবংশী

আজি জীৱনৰ
এটি বিয়লি বেলাত
উপস্থিত হ'লোঁ আহি

নৈৰ পাৰত বহি
ভাবিলোঁ
কেনেকৈনো যাব পাৰি
নেদেখা নদীৰ
ঘাটলৈ বুলি
লগত যদি নাথাকে কোনো
অকলশৰে হাঁহিমুখে
পাৰ কৰিব পাৰিম
এই জীৱন নদী!

মাথোঁ সূৰযমুখী সাহসৰ অলপ
প্ৰয়োজন হ'ব।

### নতুন বছৰৰ প্ৰত্যাশা

▢ চিৰঞ্জীৱ জৈন

শৰতৰ হিমসনা তমসা ভেদ কৰি
ধৰাত নামিল নতুন বছৰ
থৌকি-বাথৌ নতুন পুলক

বছৰবোৰৰ যদিও আছে
স্বপ্ন ভগ্নৰ অজস্ৰ বেদনা
নিৰ্বাপিত হোৱা নাই
তথাপিও যেন
অগ্ৰগামী অভীপ্সাৰ
অমিয় চেতনা

আহা আজি আমি
চূৰমাৰ কৰোঁ
ধৰ্মান্ধতাৰ।
বজ্ৰ শিকলি
শোষণ-নিষ্পেষণ
কৰোঁ অৱসান

বিজ্ঞানক সাৰথি কৰি
আৰম্ভ কৰোঁ
সমৱেতভাৱে
জীয়াই থকাৰ
ন অভিযান।

**ফোন ঃ ৯৮৬৪১-৬৫১৫৯**

সুকন্যা

### লেখকসকললৈ আহ্বান

'নিয়মীয়া বাৰ্তা'ৰ দেওবৰীয়া পৰিপূৰিকা সুকন্যাত শূন্যৰ পৰা কষ্টৰে ব্যৱসায় আৰম্ভ কৰি নিজে স্বাৱলম্বী হোৱাৰ লগতে আনকো সংস্থাপন দিয়া কৰ্মোদ্যমী নাৰীৰ বিষয়ে প্ৰকাশ কৰা হ'ব।ইচ্ছুক লেখকসকলে নিম্ন উল্লিখিত ঠিকনাত তেখেতসকলৰ লেখাবোৰ পঠিয়াব পাৰে।

**সুকন্যা, নিয়মীয়া বাৰ্তা**
**প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেড**
**জিএছ ৰোড, গুৱাহাটী-৫**
**E-mail: sukanya@prideeast.com**

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ৫ জানুৱাৰী ২০২৫

# ‘চিনাকি’ ফুড প্ৰডাক্টেৰে পৰিচিত গীতাঞ্জলি, শিৱানী

## নৱৈ টকাৰে যাত্ৰা আৰম্ভ

## শূন্যৰ পৰা শিখৰলৈ

□ উৎপল কুমাৰ কলিতা

**সফলতাৰ** বাবে ধনতকৈ প্ৰয়োজন বেছি এটা সবল মনৰ। ধন যেন এক অজুহাত। প্ৰবল আত্মপ্ৰত্যয়, একাগ্ৰতা আৰু কষ্ট স্বীকাৰৰ মাজেদি আগবাঢ়িলে হাতত ধন নোহোৱাকৈ যাত্ৰা কৰিব পাৰি শূন্যৰ পৰা শিখৰলৈ। তাকেই যেন আকৌ এবাৰ প্ৰমাণ কৰি দেখুৱাইছে ডিব্ৰুগড়ৰ দুই মহিলাই। কেৱল দৃঢ় মনোবলেৰে যাত্ৰা আৰম্ভ কৰা দুই মহিলা এতিয়া সকলোৰে হৈ পৰিছে আদৰ্শৰ প্ৰতীক।

গীতাঞ্জলি শইকীয়া আৰু শিৱানী শইকীয়া দুই মহিলাই এদিন যাত্ৰা আৰম্ভ কৰিছিল মাত্ৰ ৯০ টকাৰে। সেয়া আছিল ২০১৯ চনৰ কথা। ডিব্ৰুগড়ৰ মিলনপুৰৰ গীতাঞ্জলি শইকীয়াই ভুগিব লগা হৈছিল জীৱন-জীৱিকাৰ সংকটত। সৰুৰে পৰা মাতৃ মিনতি শইকীয়াই দিনহাজিৰা কৰি পোহপাল দিছিল গীতাঞ্জলি আৰু ভাতৃক। সৰুৰে পৰা চৰম আৰ্থিক কষ্টৰ মাজতে ডাঙৰ হৈছিল গীতাঞ্জলি। স্নাতক শাখাত নামভৰ্তি কৰি আৰ্থিক দৈন্যৰ বাবে পঢ়া এৰিব লগা হৈছিল। কি কৰি পৰিয়ালটোক আৰ্থিক সকাহ দিব ভাবি পোৱা নাছিল। এদিন মোমায়েক অজয় ৰাজখোৱাই ক'লে ‘বজাৰত আজিকালি নিমকি ভাল বিক্ৰী হয়। তহঁতে ঘৰতে তৈয়াৰ কৰি বেচিব পাৰ’ এয়াই আৰম্ভণি। কিন্তু হাতত নাই ধন। যি হয় চাওঁ বুলি গীতাঞ্জলি আৰু ভাইবোৱাৰীয়েক শিৱানী লগ হৈ কামত আগবাঢ়িব। কিন্তু হাতত মাত্ৰ আছে নৱৈ টকা। তাৰে অলপ ৰিফাইন আৰু ময়দা কিনি আনি ২০১৯ চনৰ ৩ মাৰ্চত প্ৰথম ঘৰৰ সৰু কেৰাহী এটাত নিমকি ভাজিলে। বাটি এটাৰে সেইবোৰ জুখি দহটা পেকেট হ'ল। তাকে ওচৰৰ দোকান এখনত পুৱা দি আহিল। কিন্তু দোকানীয়ে সন্ধিয়া তেওঁলোকক পিছদিনা বিশটা পেকেট দিবলৈ অৰ্ডাৰ কৰিলে। এই মতে তেওঁলোকে পিছদিনা বিশটা পেকেট বনালে। এয়াই আৰম্ভণি। তাৰ পাছত এখনৰ পৰা দুখন দোকান, দুখনৰ পৰা চাৰিখন দোকান এইদৰে তেওঁলোকে নিমকি দিয়া দোকান বাঢ়ি গৈ থাকিল। এই সংক্ৰান্তত গীতাঞ্জলিয়ে কয়— ‘মনৰ দৃঢ়তাৰে প্ৰায় শূন্য হাতেৰে আগবাঢ়িছিলোঁ। সাৰথি আছিল সাহস। কাৰখানা আছিল ঘৰৰ সৰু পাকঘৰটো। তাতে খৰিৰে জুই ধৰি নিমকি অনাইছিলোঁ। কিন্তু সাধাৰণভাৱে আৰম্ভ কৰিছিলোঁ যদিও প্ৰথমৰ পৰা গুৰুত্ব দিছিলোঁ গ্ৰাহকৰ সন্তুষ্টিলৈ। গ্ৰাহকে বজাৰত পোৱা অন্য নিমকিতকৈ যাতে খাই সোৱাদ পায় তাক গুৰুত্ব দিছিলোঁ। আৰু প্ৰথমৰ পৰাই গ্ৰাহকৰ পৰা ভাল সমাদৰ পাইছিলোঁ। দুদিন কিবা কাৰণত দোকানবোৰত আমাৰ নিমকি নহ'লে দোকানীয়ে ফোনত তাগিদা দিয়ে। কাৰণ বজাৰত আমাৰ নিমকিহে বিচাৰে।

এইদৰে লাহে লাহে গীতাঞ্জলি-শিৱানীৰ ব্যৱসায় সম্প্ৰসাৰণ হৈ গৈ থাকিল। প্ৰথমতে খোজ কাঢ়ি তাৰ পাছত চাইকেল আৰু কিছুদিন পাছত ব্যৱসায়ৰ লাভেৰে ক্ৰয় কৰা স্কুটীৰে তেওঁলোকে সামগ্ৰী বিতৰণ চলাই গ'ল। সমগ্ৰ ডিব্ৰুগড় চহৰতে তেওঁলোকৰ নিমকি চিনাকি হৈ পৰিল। লাহে লাহে ব্যৱসায়ৰ বাবে বেংকৰ ঋণো লাভ কৰিলে। ইয়াৰ পাছত তেওঁলোকে চিনাকি ফুড প্ৰডাক্ট নামেৰে তেওঁলোকৰ উৎপাদনৰ নতুন এটা ব্ৰেণ্ড তৈয়াৰ কৰি বজাৰত নিমকি উলিয়াই দিলে। চিনাকি ব্ৰেণ্ডৰ নিমকি অকল ডিব্ৰুগড়তে নাথাকিল। তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, চৰাইদেউ, ধেমাজি, লখিমপুৰ হৈ অৰুণাচল পৰ্যন্ত তেওঁলোকৰ নিমকিয়ে বজাৰ দখল কৰিলে। একপ্ৰকাৰ উদ্যোগত পৰিণত হ'ল চিনাকি ফুড প্ৰডাক্ট। লাহে লাহে গীতাঞ্জলি আৰু শিৱানীয়ে কাম অকলে চম্ভালিব নোৱাৰি অন্য ছয়গৰাকী যুৱতী-মহিলাকো তেওঁলোকৰ প্ৰতিষ্ঠানত নিয়োগ কৰিলে।








এই সফলতা সম্পৰ্কত শিৱানীয়ে কয়— ‘প্ৰথম অৱস্থাত আমাৰ সংকোচ আছিল গ্ৰাহকে আমাৰ প্ৰডাক্ট আদৰি লয় নে নলয় বুলি। কিন্তু যেতিয়া আমি সামগ্ৰী যোগান ধৰা ব্যৱসায়ীসকলে গ্ৰাহকে আমাৰ প্ৰডাক্টৰ গুণ গোৱা বুলি কৈছিল তেতিয়া আমি উৎসাহিত হৈ পৰিছিলোঁ। আমাৰ কামৰ প্ৰতি বিশ্বাস বাঢ়িছিল। প্ৰথমে আমাৰ প্ৰডাক্ট ল'ব নিবিচৰা ব্যৱসায়ীসকলেও ঘাই চাই আমাৰ প্ৰডাক্টৰ গুণ গ্ৰাহকৰ আগত কৈছিল।’

এই সফলতাৰ পাছত শেহতীয়াভাৱে নিমকিক এক নতুন ৰূপ দি বজাৰলৈ এৰি দিছে। বিশেষকৈ নিমকি সাধাৰণ প্লাষ্টিকৰ পেকেটত বিক্ৰী কৰা হয়। এনে পেকেটৰ নিমকি এমাহৰ ভিতৰত নষ্ট হয়। সেয়ে তেওঁলোকে চিপ্‌ছৰ পেকেটৰ দৰে বিজ্ঞানসন্মত পেকেজিং কৰিবলৈ আগবাঢ়ি আহিল। ইয়াৰ বাবে তেওঁলোকে অত্যাধুনিক যন্ত্ৰ-পাতি স্থাপন কৰিছে। তেওঁলোকে জানিব দিয়া মতে সাধাৰণতে নিমকিৰ আধুনিকভাৱে পেকেজিং কৰা এয়া নতুন ধাৰণা। যদি চিপ্‌ছ, চানা, কুৰকুৰে আদি আধুনিক পেকেটত আকৰ্ষণীয় ৰূপত বজাৰত উপলব্ধ হ'ব পাৰে নিমকি কিয় নোৱাৰিব। আনহাতে সাধাৰণ পেকেটত নিমকিৰ আয়ুস এমাহ যদিও আধুনিক নাইট্ৰ'জেনযুক্ত পেকেটত ছমাহলৈ ই খাদ্য উপযোগী হৈ থাকিব। এই লৈ তেওঁলোকে ১৭ ডিচেম্বৰত নিমকি কিং নামৰ দুটা ধৰণে নিমকি আকৰ্ষণীয় পেকেটত আনুষ্ঠানিকভাৱে মুকলি কৰে। সাধাৰণ নিমকিৰ লগতে তেওঁলোকে নিমকি মচলা হিচাপেও নতুন স্বাদ এটি দিব প্ৰয়াস কৰিছে। তেওঁলোকে জানিব দিয়া মতে তেওঁলোকৰ চিনাকি ব্ৰেণ্ডৰ নিমকি কিং এতিয়া অসমৰ সৰ্বত্ৰ উপলব্ধ হোৱাৰ লগতে বহিঃৰাজ্যলৈও যাব। সাধাৰণ নিমকিক আধুনিক বাণিজ্যিক ৰূপ দিয়া হয়তো এয়াই প্ৰথম প্ৰয়াস। তেওঁলোকৰ সফল ব্যৱসায়ৰ যাত্ৰাৰ আঁৰত কি আছে জানিব বিচৰাত শিৱানীয়ে কয়— গ্ৰাহকৰ সন্তুষ্টি আৰু বজাৰ দখল আমাৰ সাফল্যৰ উৎস। কোনো এটা প্ৰতিষ্ঠানত উৎপাদন কৰাৰ সমান্তৰালভাৱে বজাৰ দখলৰ প্ৰয়াস কৰিব লাগিব। উৎপাদকে নিজে বজাৰ পৰ্যবেক্ষণ কৰিব লাগিব। আনৰ ওপৰত বজাৰ এৰি দিলে নহ'ব। তাতকৈও ডাঙৰ কথা গ্ৰাহকৰ সন্তুষ্টি। আনহাতে গীতাঞ্জলিয়ে নৱপ্ৰজন্মক স্বাৱলম্বী হ'বলৈ আহ্বান জনাই কয়— কাম কেতিয়াও বাচি নাথাকিব। যি কাম পাইছে মাথোঁ কৰি যাওক লাজ নকৰাকৈ। বিশ্বাস থাকিলে এদিন সেই কামটোৱে আপোনাৰ সুকীয়া পৰিচয় সৃষ্টি কৰিব।

ফোন ঃ ৯৩৯৪৯-২২৫২৭

## শব্দ চয়ন ঃ ২৩

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ■ | ■ | ■ | ■ | ২ | | ৩ | | ৪ |
| ৫ | ৬ | | | | | ■ | | ■ | |
| ■ | | ■ | ■ | ■ | ■ | ■ | | ■ | |
| ৭ | | | ■ | ৮ | ■ | ৯ | ■ | ■ | ■ |
| | ■ | ■ | ১০ | | ■ | ১১ | | ■ | ১২ |
| | ■ | ১৩ | | ■ | ১৪ | | ■ | ■ | |
| ■ | ■ | ■ | | ■ | | ■ | ১৫ | ১৬ | |
| ১৭ | ■ | ১৮ | ■ | ■ | ■ | ■ | ■ | | ■ |
| | ■ | | ■ | ১৯ | | | | | ২০ |
| ২১ | | | | | ■ | ■ | ■ | ■ | |

**থিয়কৈ ঃ**
১। খণ্ড, খুতুৰা (২)
২। কাপোৰৰ দাঁতি, শেল (২)
৩। সূৰ্য, বেলি (৩)
৪। ফুলৰ কলি (৩)
৬। জীৰ্ণ হোৱা বা কৰা অৱস্থা, পৰিপাক (৩)
৭। গম, সঁহাৰি (৩)
৮। টুটকীয়া, কপটীয়া (২)
৯। ভনী বা বাইৰ পুতেক (৩)
১০। মৰ্যাদা, মান (৩)
১২। কোনো বস্তুৰ প্ৰাপ্তি স্বীকাৰ কৰি দিয়া কাকত (৩)
১৪। ভেটি, বুনিয়াদ, মূল (২)
১৬। ৰসপূৰ্ণ, ৰসযুক্ত (৩)
১৭। মাটি চহাওঁতা (৩)
১৮। বুকুৰ সমান দ বা ওখ (৩)
১৯। উপযুক্ত ঠাই বা সময় (২)
২০। কামিলা (২)

**পথালিয়ে ঃ**
২। বিশেষ বিদ্যা বা ব্যৱসায়ৰ ভাষাত ব্যৱহৃত (৫)
৫। অলংকাৰ আৰু সাজ-পাৰৰ বস্তু (৩+৩)
৭। বয়স, জন্মৰ পৰা পাৰ হোৱা সময় (৩)
১০। এক সু-স্বাদু ফল (২)
১১। খোজ কাঢ়োতে মাটিত কৰা আঘাত, গোৰোহণি (২)
১৩। সংগীতৰ স্বৰগ্ৰামৰ নিম্নস্বৰ (২)
১৪। ভিন্ন, পৃথক (২)
১৫। ফাটেক, কাৰাগাৰ (৩)
১৯। চঞ্চল, অস্থিৰ (৩+৩)
২১। কলাত পাৰ্গত (২+৩)

© মৰমী

## শব্দ চয়ন ঃ ২২ৰ উত্তৰ

**থিয়কৈ ঃ** ১। গুণ-গ্ৰাহক ৩। লনি-দনি ৪। কীল ৫। লাং ৬। পঞ্চভুজ ৮। চানমাৰি ১১। কাক ১৪। দুষ্ট-চিহ্ন ১৫। নিচা ১৭। লতা-টেপৰ ১৮। দণ্ডাদেশ ২০। নৰদ্ধাৰ ২২। বোকা ২৩। লনি।

**পথালিয়ে ঃ** ২। চাণ্ডাল ৪। কীলালপ ৭। লং ৯। হনন ১০। নিকাৰ ১২। মাজ ১৩। মামা ১৬। দুষ্ট ১৮। দধি ১৯। নিচান ২১। চিৰতা ২২। বোল ২৪। শলাকানি ২৫। ৰজক।

গল্প

# ক'লা ডাৱৰ

□ ঋতুৰাজ মহন্ত

**এটা** ৰাতিপুৱা। ফৰকাল আকাশত বেলিটো ধুনীয়াকৈ ওলাই আহিছে। কুকুৰাৰ মাতত সাৰ পাই উঠিল মালতী বুঢ়ী। সাৰ পায়েই মালতী বুঢ়ীয়ে নিত্য-নৈমিতভাৱে কৰি অহাৰ দৰে আজিও বিছনাৰ পৰা নামি দিনটো যেন ভালে-কুশলে পাৰ হয় তাকে মনতে ভাবি ভগৱানক স্মৰণ কৰিলে আৰু বাহী বিছনাখন ভালকৈ পাৰি-মেলি বাহিৰলৈ ওলাই আহিল। বাহিৰলৈ আহি মালতী বুঢ়ীয়ে দেখে ফৰকাল আকাশত বেলিটোত আজি কোনোধৰণৰ ডাৱৰৰ চেকা নাই। বতৰটো ভাল যেতিয়া গাঁৱৰে নগেনক মাতি বুঢ়ীয়ে আজি ধান কেইটামান ৰ'দত দিয়াৰ কথা ভাবিলে। প্ৰায় পোন্ধৰ দিন নেৰানেপেৰাকৈ বৰষুণ দিয়াৰ বাবে বহুদিনতে শুকুৱাই থোৱা ধানৰ চাউল হয়টো এসাঁজ মানহে খাব পাৰিব। পুতেক বিপ্লৱে দোকানৰ পৰা ভাত খাবৰ বাবে চাউল কিনি আনে, কিন্তু বুঢ়ীয়ে সেইবোৰ চাউলৰ ভাত খাই সমূলি ভাল নাপায়, কিবা হেনো মলঙা-মলং গোন্ধাই।

কেইবাদিনো ধৰি বৰষুণ দি থকাৰ বাবে মালতী বুঢ়ীৰ চোতালখনে সূতা বাঢ়নীৰ মুখ দেখা নাছিল, আনকালে বুঢ়ীৰ সৰু বোৱাৰীয়েকে চোতালখন সাৰে, কিন্তু আঠ মাহ চলি থকাৰ বাবে মালতীয়ে সৰু বোৱাৰীকক কোনো কাম কৰিবলৈ নিদিয়ে। ডাঙৰজনী বোৱাৰীয়েকে ইচ্ছা কৰিলে চোতালখন সাৰিব পাৰে, কিন্তু চহৰৰ ছোৱালী বাবে সূতা বাঢ়নী চুবলৈ লাজ কৰে। কেঁকো-জেকোকৈ বুঢ়ীয়ে চোতালখন সাৰি গৰু গাই মেলি গোবৰ-জাবৰ পেলাই বাহী কাম-বন কৰি আঁজৰি হৈ গা ধুবৰ বাবে নাদৰ পাৰলৈ গ'ল। কোনোপ্ৰকাৰ বনোৱা টাইল্‌ছ লগোৱা গা ধোৱা ঘৰটোত মালতী বুঢ়ীয়ে গা নুধুৱে, আগতে ধুইছিল কিন্তু এবাৰ পৰাৰ পাছত তাত বুঢ়ীয়ে গা ধুবলৈ এৰি নাদৰ পাৰত বাঁহেৰে তৈয়াৰ কৰাই লোৱা গা ধোৱা ঘৰটোতহে গা ধুৱে। গা-পা ধুই মালতী বুঢ়ীয়ে নামঘৰত সোমাল, নামঘৰ মচি-কাচি প্ৰাৰ্থনা এভাগ গালে, তাৰ পাছত পিঠাগুড়িৰ মিঠৈ দুটুকুৰাৰে লাল চাহ এবাটি খাই মালতী নগেনৰ ঘৰলৈ বুলি খোজ ল'লে।

ৰাতিপুৱা আঠ মান বাজিল। মালতী বুঢ়ীয়ে মাতি থৈ অহাৰ বাবে নগেন বুঢ়ীৰ ঘৰলৈ আহিল। নগেনৰ ঘৰলৈ গৈ বুঢ়ীয়ে নগেনক ‘এপাক আমাৰ ঘৰলৈ যাবিচোন’ বুলিহে কৈছিল, কিন্তু কি কাম কৰিব লাগিব সেই সম্পৰ্কে একোৱে কোৱা নাছিল। কিন্তু পুৱাই বুঢ়ী নগেনৰ ঘৰলে গ'লে। ৰাতিপুৱাই বুঢ়ীৰ ঘৰত কি কাম ওলায় সেয়া নগেনে জানে। সাত ফুত মান ওখ ভঁৰালটোৰ পৰা ধান চাৰি বস্তামান নমাই আনি ৰ'দত দিলে। মালতী বুঢ়ীয়ে ধানখিনিত বা দি নগেনক ক'লে ‘যা, হাত-ভৰিকেইটা ধুই ল, বোৱাৰীজনীয়ে চাহ বাকিছে খাই যাবি’।

‘ঠিক আছে আইতা’ নগেনে ক'লে।

বুঢ়ীৰ সৰু বোৱাৰীয়েক বিৰিণাই চাহ এবাটি আনি নগেনক খাবলৈ দি ভিতৰলৈ গ'ল। চাহ বাটি খাই খাই নগেনে মালতী বুঢ়ীক ক'লে ‘আইতা, আপোনালোকে যে অকল এই পিঠাগুড়ি মিঠৈবোৰকে খাই থাকে, পইচা-পাতি থকা মানুহ কেতিয়াবা বিস্কুট, মিঠাই এটাও খুৱাব চোন। আমি নিঃকিন মানুহ, আৰ ঘৰে তাৰ ঘৰে কাম-বন কৰি ফুৰোঁ, নিজেই সেইবোৰ কিনি খোৱাৰ কথা ভাবিয়ে নোৱাৰো, এইবোৰ ভাবিয়ে আপোনালোকৰ দৰে মানুহৰ ঘৰত আহোঁ।... ‘ইমানকে কৈ নগেন মনে মনে থাকিল।

হেৰ' কেলেহুৱা, সেই ভেজাল বস্তুবোৰ খাই মৰাতকে এই বুঢ়ীজনীয়ে বনোৱা মিঠেকেইটাকে খাই দুদিনমান জীয়াই থাকচোন। তই জানো জান দোকানীবোৰে সেইবোৰ কেনেকৈ বনায় ? হাত- পাত বা ধুৱেনে নুধুৱে ঠিক নাই। আজিকালি মানুহে ঘৰুৱা বস্তুবোৰ খাবলৈ লাজ কৰে। কিনি অনাবোৰেহে হেনো অভিজাত মানুহ বুজায়। সেইকাৰণে আজিকালি মানুহৰ বেমাৰ-আজাৰ বেছি। এতিয়া মই এইবোৰ বাছি-মেলি চলি আছোঁ বাবে ঈশ্বৰে ৰোগ এটাও দিয়া নাই। এই চাৰিকুৰি বছৰ বয়সতো দুকুৰি বছৰীয়া গাভৰুৰ দৰে কাম- বন কৰিব পাৰি আছোঁ। এদিন ঘপকে পৰিমো আৰু যামো। ’ মালতী বুঢ়ীয়ে ক'লে।

‘হয় আইতা, মই এতিয়াহে কথাটো ভাবি চাইছোঁ, আপোনালোকে ঘৰতে বনোৱা মিঠৈত যিটো সোৱাদ আছে সেই সোৱাদ আজিকালি দিনৰ মিঠাই বিস্কুটত নাই।’ নগেনে ক'লে।

‘এতিয়া আগৰ দিনৰ মানুহৰ বেমাৰ-আজাৰ বৰকে নাছিল নহয়, এতিয়া আকৌ এইবোৰ আধুনিক বস্তু খাই আজি বোলে ভৰিৰহে বিষ, কাইলৈ বোলে জৰহে, আজি বোলে আমুক, কাইলৈ তামুক। মুঠতে আজিকালি মানুহবোৰৰ বাৰটা মাহত তেৰটা বেমাৰ। আগৰ আমাৰ শাহুহঁতৰ দিনত ক'ৰবাত ওলাই যোৱাৰ পাছত ঘৰত অহা মাত্ৰকে কাপোৰ-কানি তিয়াই, মূৰ, গা ধুইহে ভিতৰত সোমাবলৈ দিয়ে, যেইবাৰে শৌচ নকৰক কিয় গা ধুবয়ে লাগিব, আনকি কুকুৰ-মেকুৰীয়ে চুলেও গা ধুব লাগে। কিন্তু আজিকালি মানুহবোৰে আগৰ নিয়মবোৰ মানি নচলে, কুকুৰ-মেকুৰীক কোচত লৈহে ঘূৰি-ফুৰে। হেৰ' কুকুৰ-মেকুৰীকেইটাক মৰম কৰ, নকৰিবলৈ কোৱা নাই; কিন্তু ইমান আচলি- পাচলিখন কিহৰ। এতিয়া সেই দুছৰ মান আগত যে কোৰোনা ভাইৰাছ হৈছিল সেইবোৰ আমাৰ নিজৰ ভুলৰ বাবেহে হৈছিল। ‘মালতী বুঢ়ীয়ে ক'লে।

‘হয় আইতা, আপোনাৰ পৰা সঁচাকৈয়ে বহুত কথা শিকিব পাৰি। বাৰু আইতা, মই এতিয়া যাওঁ, প্ৰদীপৰ ঘৰতো বোলে কাম অলপ আছিল। আবেলি সময়ত এপাক আহি ধানকেইটা ভিতৰত সুমুৱাই থৈ যাম বাৰু, তাৰ পাছত কাইলৈ মিলত কোটাই আনিম।’ এইবুলি কৈ নগেন গুচি গ'ল। নগেন যোৱাৰ ফালে মালতী বুঢ়ীয়ে কিছুপৰ চাই থাকি নিজকে নিজে ক'লে ‘বেচেৰাটোলৈ বেয়াই লাগে। সৰুতেই মাক-বাপেক ঢুকাল, অকলশৰীয়াকৈয়ে আৰ ঘৰে তাৰ ঘৰে ডাঙৰ-দীঘল হোৱা ল'ৰা, মাক-বাপেক থকা হ'লে আজি তাৰ ইমান কষ্ট নহ'লহেঁতেন। কিন্তু কি কৰিবা সকলো তেৰাৰে লীলা।’ এইবুলি কৈ বুঢ়ীয়ে আকৌ এবাৰ ধানখিনি লৰাই ভিতৰত সোমাল।

ধানবোৰ বাৰে বাৰে লৰাই থাকিলে সোনকালে শুকায়। দুপৰীয়া ভাত-পানী খাই উঠি মালতী বুঢ়ীয়ে আকৌ এবাৰ ধানখিনি লৰাই দিলে। তাৰ পাছত হাত-ভৰিকেইখন ধুই অলপ শুবলৈ বুলি গ'ল। বুঢ়ীৰ টোপনি ভালকৈ ধৰিল কি নধৰিল হঠাতে বুঢ়ীয়ে শুনিলে গুৰুমকে শব্দ কৰি অহা বুকু কঁপি উঠা এটা মেঘৰ গৰ্জন। জঁাপ মাৰি উঠিল মালতী বুঢ়ী, লৰালৰিকৈ বাহিৰলৈ ওলাই দেখে গোটেই আকাশ ডাৱৰে ঘেৰাও কৰি তুলিছে। হয়টো ক্ষন্তেক পাছতেই এজাক ডাঙৰ বৰষুণ আহিব। নগেনো আছেগৈ গাঁৱৰ সিটো মূৰত, সি আহি পায়হি মানে বৰষুণ পৰিবয়ে। পুতেকেও চাকৰি কৰে, ডাঙৰ পুতেক বিপ্লৱে স্কুলত মাষ্টৰ কৰে, ৰাতিপুৱাই ওলাই যায়; সৰুটো পুতেক জয়ন্ত সাত মাহমান আগতেই ঘৰৰ পৰা ওলাই গ'ল, ক'ত গ'ল তাৰ কোনো ঠিকনা নাই। ডাঙৰ বোৱাৰীয়েক নিৰলাকে মাতি ধানখিনি ভিতৰত সোমোৱাৰ কথা ভাবিলে মালতী বুঢ়ীয়ে। ধানখিনি সুমাও বুলি ভাবি বুঢ়ীয়ে নিৰলাক চিঞৰিলে ‘হেৰ' পোনাৰ মাক ক'ত আছ, আহচোন আহ ধানকেইটা সাউৎকে সুমুৱাই লওঁ’।

নিৰলা ওলাই আহিল, কিন্তু বুঢ়ীক সহায় কৰাৰ সলনি ককৰ্থনা কৰি ক'লে ‘জানেই বতৰ বেয়া বুলি, কি কৰিবলৈ এইবোৰ উলিয়ায় লৈছিল। পুতেকে দেখোন চাউল কিনি আনেই, সেইবোৰকে খাব, এবাৰ খালে নমৰে দিয়ক। এইবোৰ কি কৰে কৰি থাকক, মই ভৰাবলৈ নাই।’ এই বুলি কৈ নিৰলা ভিতৰলৈ উচাৎ মাৰি গুচি গ'ল। বোৱাৰীয়েকৰ এনে ককৰ্থনা শুনি মালতী বুঢ়ীৰ মনটোৱে যেন চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। সেই সময়তে বুঢ়ীৰ পুৰণি দিন এটালৈ মনত পৰিল। যেতিয়া মালতী বুঢ়ী ন-বোৱাৰী হৈ বিপ্লৱৰ বাপেকলৈ বিয়া হৈ আহিছিল, তাৰ কেইদিনমানৰ পাছৰ ঘটনা। মালতী বুঢ়ীৰ শাহুৱেকে ধান অলপ ৰ'দাইছিল, সেইদিনাও আজিৰ দৰে বতৰ হঠাতে বেয়া কৰি আহিছিল। ফৰকাল আকাশ হঠাতে ডাৱৰে ঘেৰাও কৰিছিল, সেইদিনাও বৰষুণ দিলে কিন্তু ডাৱৰ কৰাৰ দুঘণ্টা মানৰ পাছতহে। দিনৰ দিনটো কাম-বন কৰি ভাগৰি পৰা মালতীয়ে ক্ষন্তেক জীৰাইছিলহে মাথোঁ, ফৰকাল আকাশত ডাৱৰ দেখি মালতীৰ শাহুৱেকে মালতীক বিছনাতে কোবালে, মুখখনেৰে বকি বকি মালতীক ক'লে ‘ধানগাল বাহিৰত পেলাই বৰষুণত তিতিবলৈ দি মহাৰাণী শুবলৈ আহিছে, যা ধানগাল ভৰাই থগৈ, চাবি কেনেবাকৈ ধান তিতিলে তোক খুৱাম ভাত মাৰে, ইনেই বাহিৰা চৰায়ে ধানৰ এফাল খাই শেষ কৰিলে, আগতে আমাৰ দিনত ধান ৰ'দালে ভিতৰলৈ সোমাবলৈকে নাপাওঁ।’ ফৰকাল আকাশত যিদিনাই হঠাতে ডাৱৰ আহে সেইদিনাই মালতীয়ে কত বচন শুনিব লগা হয় সেয়া লাগিলে শাহুৱেকৰ পৰাই হওক অথবা বোৱাৰীয়েকৰ পৰাই হওক। মালতীহঁতৰ দিনত শাহুৱেকক টানকৈ কোৱা দূৰৈৰ কথা শাহুৱেকৰ মুখলৈ চাই কথা ক'বলৈকে দহবাৰ ভাবিব লগা হয়। কিন্তু আজিকালি পৃথিৱীখন ওলোটা হ'ল, আজিকালি বোৱাৰীয়ে শাহুৱেকক শাহু বুলি গণ্যই নকৰে।

মালতী বুঢ়ীক সৰু বোৱাৰীয়েক বিৰিণাই বৰ মৰম কৰে, তাইৰো মাকৰ ঘৰখন ধনী ঘৰৰে, তথাপিও তাইৰ মনত কোনোধৰণৰ অহংকাৰ নাই। বিৰিণাৰ বাবে নিজৰ মাক যেনে শাহুৱেকো তেনে। ইচ্ছা কৰা হ'লে বিৰিণাই শাহুৱেকক অপমান কৰাৰ বাবে নবৌয়েকক কিবা এষাৰ টানকৈ ক'লেহেঁতেন, কিন্তু নকয়। কাৰণ, বিৰিণাই আনক টানকৈ ক'ব নোৱাৰে। নিৰলাৰ ককৰ্থনাই কেৱল মালতী বুঢ়ীকে কন্দোৱা নাই, বিৰিণাকো কন্দুৱাইছে, সেয়ে তাই গৰ্ভত সন্তান থকাৰ পাছতো মালতী বুঢ়ীক ধান ভৰাই সহায় কৰি দিবলৈ আহিছে।

‘মা, ময়ে বস্তাটো ধৰি দিওঁ আপুনি ধানখিনি সুমুৱাই দিয়ক, আধা আধাকে সুমুৱাই লৈ ভিতৰত থৈ আহিম। ’ বিৰিণাই ক'লে।

‘হেৰ' তই এই অৱস্থাত এইবোৰ কৰিব নালাগে, তই এইবোৰ কৰিলে দহে মোকহে দুখিব। থ থ তই, ময়ে যেনেতেনে সুমুৱাম’। মালতী বুঢ়ীয়ে ক'লে।

‘মই আপোনাৰ কথা নুশুনো, আপোনাক সহায় কৰি দিমেই, ঘৰৰ কামহে কৰিছোঁ, কোনোবাই আপোনাক কিবা ক'লে তাঁহাতক মই গালি দিম’ বিৰিণাই ক'লে।

‘বতৰ বেয়া, মেঘেও গাজি আছে, এইবোৰ অপকাৰী বস্তু, তই ভিতৰলৈ যা, আমি দুই-এটা কথা জানো দেখি কৈছোঁ, এনেকুৱা বতৰত সন্তান সম্ভৱা মানুহ বাহিৰত থাকিলে মাক- সন্তান উভয়ৰে বাবে বেয়া’। মালতীয়ে ক'লে।

বিৰিণাই, শাহুৱেকৰ সকলোবোৰ কথা শুনে, কিন্তু আজি শুনা নাই, কাৰণ বয়সীয়া বুঢ়ীয়ে ধানখিনি অকলে সুমুৱাব যে নোৱাৰে সেইটো তাই জানে, সেয়ে বিৰিণাই শাহুৱেকক সহায় কৰি দিছে।বিৰিণাই এই অৱস্থাত কাম কৰাটো হয়টো ভগৱানেও বিচৰা নাছিল, সেয়ে গাঁৱৰ সিটো মূৰত কাম কৰি থকা নগেন আহি মালতী বুঢ়ীৰ ঘৰত উপস্থিত হৈছেহি। যেন ভগৱানেহে নগেনক মালতীৰ ঘৰলৈ লৈ আনিছে। বৰষুণ দিয়াৰ আগতেই ধান সুমুৱাই নগেন আজৰি হ'ল। বৰ ডাঙৰ এজাক বৰষুণ দিলে। মালতী বুঢ়ীৰ চোতাল পানীৰে ভৰি পৰিল, খালবোৰেদি পানী খল্‌খলকৈ শব্দ কৰি গৈছে। মালতীহঁতৰ আগফালে থকা পুখুৰীটোত গৰৈ মাছ, কাৱৈ মাছেৰে ভৰি আছে। বৰষুণ দিয়াৰ বাবে পুখুৰীটো পানীৰে উপচি পৰাত মাছবোৰ পাৰলৈ জঁপিয়াই ওলাই আহিছে। কিছুমান মাছ ৰাস্তাৰে পাৰ হৈ পথাৰলৈ গৈছেগৈ। নগেনো মালতী বুঢ়ীৰ ঘৰত বৰষুণ এৰাৰ পিছত বেছি দেৰি নবহি মাছ ধৰাতহে লাগিল। মাছবোৰ পাৰলৈ উঠা দেখি এটা-দুটাকৈ মাছ ধৰা মানুহ দহ-বাৰটা মান হ'ল। সাগৰ মন্থনত অমৃত কলহ হাতত লৈ ৰৈ থকা মোহিনীক দেখি দানৱৰ যি অৱস্থা সেই অৱস্থা হ'ল মাছ ধৰা মানুহখিনিয়ে পাৰলৈ উঠি অহা মাগুৰ মাছটো দেখি। মাগুৰ মাছটো যেন মোহিনী আৰু মাছ ধৰা মানুহবোৰ যেন দানৱ। মাগুৰ মাছটোক লৈ সকলোৰে মাজত অৰিয়া-অৰি। তেনে সময়তে মালতী বুঢ়ীৰ ডাঙৰ পুতেক বিপ্লৱ ঘৰলৈ আহিল। মানুহটো বৰ খঙাল। পদূলি মুখতে মাছক লৈ হোৱা অৰিয়া-অৰিবোৰ দেখি বিপ্লৱ খঙত টিঙিৰিতুলা হৈ উঠিছে। গাড়ীৰ পৰা নামি সি ডাঙৰ-সৰু বাচ-বিচাৰ নকৰি মাথোঁ ক'লে ‘আঁতৰ হ গোটেইবোৰ ইয়াৰ পৰা, নহ'লে ফলা খৰিৰে পিঠি চেৰেলা-চেৰেল কৰিম’। মাছ ধৰা মানুহবোৰৰ ভিতৰত নগেনেই আছিল বিপ্লৱতকৈ বয়সত ডাঙৰ, বাকী গোটেইবোৰ সৰু বিপ্লৱৰ কথা শুনি সকলো তাৰ পৰা পলাই পত্ৰং দিলে, ধৰা মাছ ধৰাৰ ঠাইতে থাকিল। ঘৰৰ বাৰাণ্ডাতে বহি এই সকলো চাই আছিল মালতী বুঢ়ীয়ে। বিপ্লৱে গাড়ীখন ভিতৰলৈ সুমুৱাই গেৰেজত ৰাখি লক কৰিলে। তাৰ পৰা গেটখন বন্ধ কৰি জোতা খুলি ভিতৰত সোমাল যদিও বিপ্লৱ মালতী বুঢ়ীৰ গৰ্ভজাত সন্তান তথাপিও বুঢ়ীয়ে ডাঙৰ পুতেকক বৰ এটা ভাল নাপায়। সেয়ে পুতেক ভিতৰলৈ সোমোৱাৰ আগতেই বুঢ়ী গৈ নিজৰ শুৱনি কোঠা পালেগৈ। বুঢ়ীৰ সৰু পুতেক জয়ন্ত আছিল বিপ্লৱৰ সম্পূৰ্ণ বিপৰীত। তাৰ চাকৰি-বাকৰি নাছিল, কিন্তু ব্যৱহাৰ-পাতি ভাল আছিল। তাৰ চাকৰি-বাকৰি নথকাৰ বাবেই ককায়েক-নবৌয়েকৰ ককৰ্থনা শুনি শুনি সি যে ঘৰৰ পৰা আঁতৰি গৈছে সেই কথা মাক মালতী বুঢ়ীয়ে জানে। সন্তান সম্ভৱা বিৰিণাৰ এটি ল'ৰা সন্তান জন্ম হ'ল। চিকিৎসাৰ সকলো খৰচ মালতী বুঢ়ীয়ে বহন কৰিলে, ডাঙৰ পুতেকৰ পৰা এক পইচাও লোৱা নাই। তিনি বছৰ মান পাছত মালতী বুঢ়ীৰ সৰু পুতেক জয়ন্তয়ো ঘৰলৈ আহিল, তাকো হাতত চাকৰি লৈ। প্ৰথমাৱস্থাত মালতী বুঢ়ীয়ে জয়ন্তক দুচৰমান দিলে ঘৰত নোকোৱা-নেমেলাকৈ ওলাই যোৱাৰ বাবে। কিন্তু জয়ন্তই মাকক জোকাবলৈহে ধৰিলে। পুতেকৰ ফৌচালিখন দেখি বুঢ়ীয়ে মাৰক চাৰি হাঁহিবলৈহে ধৰিলে। আনফালে, ডাঙৰ পুতেক বিপ্লৱৰ জীৱনলৈ নামি আহিল কাল অমানিশা। বিপ্লৱৰ ঘৈণীয়েক নিৰলাই কোনো কাম-বন নকৰি অকল শুই-বহি থকাৰ বাবে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'ব লগা হ'ল। কিড্‌নী দুটাও বিকল হৈ পৰিল। কিড্‌নী যদি এটা হ'লেও নতুনকৈ নিৰলাৰ দেহত নলগাই তেন্তে নিৰলাৰ মৃত্যু অনিবাৰ্য। কিন্তু কিড্‌নী পাব ক'ত, কিনিবলৈও বহুত টকা লাগে, পইচাকে দিলে যেনিবা নিজৰ জীৱন ধ্বংস কৰি কিড্‌নী দান কৰিবই বা কিয় ? এইবোৰ ভাবি- চিন্তিয়ে বিপ্লৱ একপ্ৰকাৰ পাগলৰ দৰে হৈ পৰিল।

চাকৰি হোৱাৰ পৰা বিপ্লৱ অহংকাৰী হৈ পৰিছিল। গুৰু-গোসাঁই একো নামানে। যিজনী মালতী বুঢ়ীয়ে ন মাহ দহ দিন গৰ্ভত ধাৰণ কৰিলে সেইজনী মাককো বিপ্লৱে ভাল ব্যৱহাৰ নকৰে। চাকৰি পোৱাৰ পৰা মাকক এযোৰ কাপোৰ দি নাপালে। মালতী বুঢ়ীৰ গিৰিয়েকেও চাকৰি কৰিছিল, গিৰিয়েকে চাকৰি কৰি যিবোৰ টকা পাইছিল সেইবোৰ টকাৰেই মালতী বুঢ়ী আৰু জয়ন্ত চলি আছিল তথাপিও জয়ন্তৰ চাকৰি নথকাৰ বাবেই ককায়েকে তাক বাৰে বাৰে উপহাস কৰিছিল। মালতী বুঢ়ীয়ে মুগাৰ খমখমিয়া এযোৰ কাপোৰ পিন্ধি ঘৰৰ পৰা ওলাই গৈছে। ক'ত গৈছে সেয়া কোনেও নাজানে, বিচাৰ-খোঁচাৰ চলি থকাৰ মাজতে বিপ্লৱে ক'লে ‘ইনেই মোৰ এইবোৰ চিন্তাই মূৰ খাইছে, তাতে আকৌ ...। নাই নাই, মই আৰু বিচাৰি ফুৰিবলৈ নাই, ক'ত যায় গৈ থাকক।’

‘দাদা, যাৰ বাবে তই আজি ইমানখিনি পালিহি, যিয়ে তোৰ বাবে ইমান কষ্ট কৰিলে, সেইগৰাকী মাতৃ আজি নোহোৱা হৈছে, গতিকে বিচাৰি মেলি কষ্ট অলপো কৰিব নোৱাৰনে ? ইনেও মাতৃৰ ঋণ পৰিশোধ কৰিব নোৱাৰি।’ জয়ন্তই ক'লে।

‘ভাইটি, সেয়া কেৱল এওঁৰেই মাক নহয়, তোমাৰো মা, তিনি বছৰ তুমি নাথাকোতে আমিয়েই তেওঁক চোৱাচিতা কৰিছিলোঁ। তোমাৰ যদি মাৰাৰ প্ৰতি ইমানেই মৰম তেন্তে তুমিয়েই যোৱা, এওঁ মোক অলপ খোজকঢ়াবলৈ নিব লাগে, গতিকে এওঁ নোৱাৰে যাব।’ নিৰলাই ক'লে।

‘হেৰি, শুনিছে, থানাতে এজাহাৰ এখন দি আহোঁ নহ'লে। পুলিচৰ সহায়ত তেতিয়া মাক সোনকালে বিচাৰি পাম।’ বিৰিণাই ক'লে। এনেদৰে বাৰ্তালাপৰ মাজতে বিপ্লৱৰ ফোনটো বাজি উঠিল। ফোনটো আছিল এজন ডাক্তৰৰ। যিজন ডাক্তৰৰ ওচৰত নিৰলাৰ চিকিৎসাৰ কাম চলি আছিল। ফোনটো লাউডত দিলে বিপ্লৱে। ডাক্তৰজনে ফোনযোগে বিপ্লৱক জনালে ‘হেল্ল’ মিঃ বৰুৱা, আপোনাৰ ৱাইফৰ বাবে এগৰাকী কিড্‌নী ড'নাৰ ওলাইছে। নামটো মিছেছ মালতী বৰুৱা, তেখেত অলপ বয়সস্থ মানুহ বাবে আমি ল'ব খোজা নাছিলোঁ, কিন্তু তেওঁ জোৰকৈয়ে দিছে, পইচা-পাতি একো নালাগে বোলে তেখেতক। তেখেতৰ অনুৰোধ ৰক্ষা কৰি আমি কিড্‌নীৰ পৰীক্ষা কৰিলোঁ, সকলো ঠিকেই আছে, আপোনাৰ ৱাইফৰ দেহত লগাব পৰা যাব। চিকিৎসাৰ সকলো খৰচ তেখেতেই বহন কৰিব; গতিকে আপোনালোক কাইলৈ আহক। অ'পাৰেচনটো পৰহিৰ পৰা আৰম্ভ কৰিম।’ বিপ্লৱৰ পৰা কোনো সঁহাৰি নাপাই ডাক্তৰজনে বহু বাৰ হেল্ল’ হেল্ল’ কৈ শেষত ফোনটো কাটি দিলে। এক বিশাল মৌনতাৰ ডাৱৰে অকস্মাতে ঘেৰাও কৰি ধৰিলে মালতীহীন বৰুৱাৰ সংসাৰত।

ফোন ঃ ৬০০২৫-৪৮২০৩

ৰেচিপি





পম্পী শৰ্মা খাউণ্ড
ফোন ঃ ৯৮৫৯৭-৬১৮১২

# এটা নতুন জুতিৰে চিতল মাছ

**উপকৰণ ঃ** চিতল মাছ- ৪ টুকুৰা, দৈ- ২ চামুচ, পিঁয়াজ- ২টা, বিলাহী- ২টা, আদা- ১ টুকুৰা, নহৰু- ৩/৪ ফোটা, কেঁচা জলকীয়া- ২/৩টা, ইলাচি- ২টা, গোটা জিৰা কেইটামান ধনিয়া পাত ১ মুঠি, জলকীয়া গুড়ি, জিৰাগুড়ি ১ চামুচকৈ, তেজপাত ২ খিলা, নিমখ, হালধি জোখ অনুসৰি, মিঠাতেল ৪/৫ চামুচ

**প্ৰণালী ঃ** প্ৰথমে মাছকেইটুকুৰা নিমখ, হালধি আৰু এক চামুচ মিঠাতেল দি সানি লৈ ফ্ৰাই কৰি ল'ব। পিঁয়াজ দুটা পেষ্ট কৰি ল'ব। বিলাহীকেইটা পেষ্ট কৰি ল'ব। আদা- নহৰু, কেঁচা জলকীয়া আৰু দৈ দুই চামুচ একেলগে মিক্সিত পেষ্ট কৰি ল'ব। এতিয়া এখন ননষ্টিক কেৰাহীত তেল দি গোটা জিৰা, তেজপাত, ইলাচি, কেঁচা জলকীয়া দি ৰঙচুৱা হোৱালৈকে ভাজি তাতে পেষ্ট কৰি লোৱা পিঁয়াজখিনি দিব। ভালদৰে লৰাই থাকিব। লগতে আদা, নহৰু, কেঁচা জলকীয়া আৰু দৈৰ পেষ্টখিনি দিব। বিলাহীৰ পেষ্টখিনিও দি ভালদৰে লৰাই ৰঙচুৱা হোৱালৈকে ভাজি থাকিব। এতিয়া লগতে শুকান মচলাখিনি দিব জিৰাগুড়ি, জলকীয়া গুড়ি, ধনিয়া গুড়ি, নিমখ আৰু হালধি এই আটাইখিনি উপাদান দি ভালদৰে লৰাই দিব। এতিয়া মচলাখিনি ভাজ খাই আহি তেল এৰি আহিলে হিচাপ অনুসৰি পানী দি উতলিবলৈ দিব। এতিয়া উতলি থকা জোলখনত ভাজি থোৱা মাছকেইটুকুৰা দি ঢাকন লগাই দিব। যেতিয়া মাছৰ জোলখন উতলি ঘন হৈ আহিব তেতিয়া কেঁচা ধনিয়া পাত কাটি দি গেছৰ ফ্লেমটো অফ কৰি দিব। এতিয়া প্ৰস্তুত হৈ যোৱা চিতল মাছৰ জোলখন গৰমে গৰমে ভাতৰ লগত পৰিৱেশন কৰক।



# কেঁচা হালধিৰে ৰন্ধা মাছৰ জোল

**উপকৰণ ঃ** মাছ- ৪/৫ টুকুৰা
কেঁচা হালধি- ৩/৪ টুকুৰা (পিহি ৰস উলিয়াই লোৱা)
নহৰু- ৩/৪ ফোটা (খুন্দি লোৱা)
কালজিৰা-১ চামুচ
কেঁচা জলকীয়া- ২টা
গোটা জালুক-১ চামুচ
নিমখ, হালধি, তেল জোখ অনুপাতে।

**প্ৰণালী ঃ** প্ৰথমে মাছকেইটুকুৰা ধুই নিমখ, হালধি সানি ভাজি ল'ব। এতিয়া মিক্সিৰ এটা জাৰত কেঁচা হালধি কেইটুকুৰা, গোটা জালুকখিনি দিব। লগত অলপমান পানী দি মিহিকৈ পেষ্ট কৰি ল'ব। এতিয়া হালধিৰ পেষ্টখিনি এখন ষ্টীলৰ চাকনিত চালি ৰসখিনি উলিয়াই ল'ব। এতিয়া এখন কেৰাহীত তেল দি কালজিৰা আৰু কেঁচা জলকীয়া দিব। লগত খুন্দি লোৱা নহৰুখিনি দিব। অলপমান সময় ভাজি লৈ কেঁচা হালধি ৰসখিনি ঢালি দিব। লগত ভাজি লোৱা মাছকেইটুকুৰা দি ভালদৰে উতলিবলৈ দি নমাই দিব। এতিয়া প্ৰস্তুত হৈ যোৱা ঔষধি গুণেৰে ভৰা মাছৰ জোল গৰমে গৰমে ভাতৰ লগত পৰিৱেশন কৰক।

# চিলি চিকেন



**উপকৰণ ঃ**
চিকেন— আধা কিলো
কেপচিকাম— ২টা (মোটাকৈ কাটি লোৱা)
পিঁয়াজ— ২টা (মোটাকৈ কাটি লোৱা)
বিলাহী— ২টা (মোটাকৈ কাটি লোৱা)
কেঁচা জলকীয়া— ২টা কুটি লোৱা
আদ-নহৰু— ২চামুচ কাটি/খহতাকৈ পিহি লোৱা
ময়দা— ২-৩ চামুচ
কৰ্ণফ্লৱ পাউদাৰ— ৩-৪ চামুচ
জালুক গুৰি— ১ চামুচ
চয়া চচ— ৪-৫ চামুচ (জোখ অনুপাতে)
টমেট' চচ— ৩ চামুচ
ভিনেগাৰ— ১ চামুচ
জলকীয়া গুৰি— ১ চামুচ
নিমখ জোখ অনুপাতে
ৰিফাইন তেল— জোখ অনুপাতে।

**প্ৰণালী ঃ** প্ৰথমতে চিকেনৰ টুকুৰাবোৰ এটা বাউলত লৈ লগত নিমখ, জালুক গুৰি, ময়দা, কৰ্ণফ্লৱ, চয়া চচ, ভিনেগাৰ দি ভালদৰে সানি লৈ ফ্ৰাই কৰি এখন টিচু পেপাৰত থৈ ল'ব। এতিয়া এটা ননষ্টিক কেৰাহীত তেল দি আদা, নহৰু দিব লগত কাটি লোৱা কেপচিকাম, পিঁয়াজ, বিলাহী আৰু চয়া চচ, টমেট' চচ, জলকীয়া গুৰি, নিমখ দি ভালদৰে লৰাই দিব। এতিয়া এটা বাতিত অলপমান পানী লৈ তাত দুই চামুচ মান কৰ্ণফ্লৱ গুলি লৈ ভাজি থকা চবজিখিনিত মিলাই দি লগত চিকেনখিনি দি ভালদৰে লৰাই দি নমাই দি গৰমে গৰমে পৰিৱেশন কৰক। খাবলৈ খুব টেষ্টি হয়। আৰু ৰেষ্টুৰেণ্ট ষ্টাইলৰ খানা ঘৰতে প্ৰস্তুত কৰক

# শীতকালত ছালৰ সৌন্দৰ্য বজাই ৰাখিব কেনেকৈ?





**আমি** সকলোৱে নিজক ধুনীয়া কৰি ৰাখিব বিচাৰোঁ। কিন্তু শীত কালত মুখমণ্ডলকে ধৰি দেহৰ বিভিন্ন অংশ শুকান হৈ যোৱাৰ ফলত বহুতো সমস্যাই দেখা দিয়ে। আমি হয়তো ক্ৰীম বা ময়েশ্বৰাইজাৰ ব্যৱহাৰ কৰি এই সমস্যাৰ সমাধান কৰিব পাৰোঁ, কিন্তু ইয়েই যথেষ্ট নহয়। আমি আমাৰ খাদ্যৰ ওপৰতো যথেষ্ট গুৰুত্ব দিয়াৰ প্ৰয়োজন। তলত উল্লেখ কৰা খাদ্যবোৰ নিয়মীয়াকৈ খাই ছালৰ লগতে মুখমণ্ডলৰ সুন্দৰতা আৰু সুস্থতা বজাই ৰখাৰ চেষ্টা ঘৰতে কৰিব পৰা যায়।

বাদাম ঃ বাদামত বিভিন্ন এণ্টিঅক্সিডেণ্ট, ভিটামিন-ই আৰু গুৰুত্বপূৰ্ণ ফেটি এচিড যথেষ্ট পৰিমাণে থাকে। এইবোৰ উপাদানৰ বাবে বাদাম খালে আমাৰ ছাল ভিতৰ আৰু বাহিৰ উভয়তে ময়েশ্বৰাইজ হৈ থাকে। ইয়াৰ ফলস্বৰূপে শীতকালতো ছাল ফটাৰ সমস্যা দেখা নাযায় আৰু মুখমণ্ডলৰ লগতে দেহৰ ছাল সুন্দৰ হৈ থাকে।

মাছ ঃ মাছ আমাৰ বহুতৰে প্ৰিয়। মাছৰ বহু স্বাস্থ্য উপকাৰী গুণ আছে। ছালৰ সুস্বাস্থ্যৰ ক্ষেত্ৰতো মাছ উপকাৰী। অ'মেগা-থ্ৰীৰ প্ৰধান উৎস হৈছে মাছ। সুন্দৰ আৰু স্বাস্থ্যৱান ছালৰ বাবে যিহেতু অ'মেগা-থ্ৰী অতি গুৰুত্বপূৰ্ণ, সেয়ে মাছ খাই আমি সতেজ আৰু সুস্থ ছালৰ গৰাকী হ'বপাৰোঁ।

ছয়াবিন ঃ নিৰামিষ খাদ্যাভ্যাত ছয়াবিনৰ গুৰুত্ব অপৰিসীম। ছয়াবিনত যথেষ্ট পৰিমাণে আইচফেলভন থাকে। আইচফেলভনে কোলাজন উৎপাদন কৰে। ফলস্বৰূপে ছাল কোচ খোৱা সমস্যা নহয় আৰু বয়সৰ চাপ নপৰে।

বন্দিতা দাস



কণী ঃ আপুনি কণী ভাল পায়নে? পায় যদি ই আপোনাৰ ছালৰ সুন্দৰতা অটুট ৰখাত যথেষ্ট উপকাৰী। কাৰণ, কণীত ছালফাৰ আৰু নেটাইন যথেষ্টপৰিমাণে থাকে। এই দুয়োবিধ উপাদানে ছালৰ অৰ্দ্ৰতা বজাই ৰাখে, লগতে ছালৰ সুস্বাস্থ্য বৰ্তাই ৰখাত সহযোগিতা আগবঢ়ায়।

বিলাহী ঃ বতৰৰ ফল বিলাহীও ছালৰ সুস্বাস্থ্যৰ বাবে আশাপ্ৰদ ফলদায়ক। বিলাহীত ভিটামিন-চি আৰু এণ্টিঅক্সিডেণ্ট থাকে। ফলত, বিলাহী খালে ছালৰ সুন্দৰতা আৰু সুস্থতা বজাই ৰখাত সহায়ক হয়। বিলাহীয়ে ছালৰ ওপৰত বয়সৰ চাপ পৰাতো বাধা দিয়ে। এনেদৰে খাদ্যাভ্যাসেৰে আমি ছালৰ ঘৰুৱা যতন ল'ব পাৰোঁ।

ফোন ঃ ৭০৮৬২-০৯৩৯৩

সপ্তাহটোৰ আলোকচিত্ৰ



মডেল ঃ মৌচুমী বৰগোহাঁই
ফটো ঃ হিৰন্ময় দাস

# কুইজ বিচিত্ৰা-একৈশ

নৰকান্ত বৈশ্য

**আনন্দৰাম** বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, হৰেকৃষ্ণ ডেকা, কুলধৰ শইকীয়া ইত্যাদি প্ৰশাসনিক সেৱাৰ বিষয়াই নিজৰ সাহিত্য কৰ্মৰ জৰিয়তে এক সুকীয়া পৰিচয় গঢ়ি তোলাৰ লগতে সাহিত্যৰ ক্ষেত্ৰখনো চহকী কৰিছে। প্ৰশাসনিক বিষয়াৰ দৰে দায়িত্বপূৰ্ণ আৰু ব্যস্ত পেছাত থাকিও অৱসৰ বিনোদন বা মনৰ চখ পূৰাবলৈ নিজৰ প্ৰিয় সুকুমাৰ কলাৰ চৰ্চা অব্যহত ৰখা আৰু সেই ক্ষেত্ৰত নিজ গুণে উজলি উঠা বহু বিষয়াৰ নাম আৰু কীৰ্তিয়ে প্ৰায়েই বাতৰিৰ শিৰোনাম দখল কৰা দেখা যায়। আমাৰ আজিৰ খণ্ডত সাহিত্যৰ সৈতে জড়িত কেইগৰাকীমান ভাৰতীয় প্ৰশাসনিক বিষয়াৰ তথ্য আলোচনা কৰিম। কুইজৰ বাতৰি তথা যিকোনো তথ্য প্ৰকাশৰ বাবে আমাৰ শ্ৰদ্ধাৰ পাঠকসকলে
৮৬৩৮৩-৭৮৩৬৯ ম'বাইল নম্বৰত এছএমএছ বা হোৱাট্ছএপযোগে অথবা quizbichitra @gmail.com ত ই-মেইলযোগে প্ৰেৰণ কৰিব পাৰে।

১। উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ ভি ৰামাসুন্দৰমক কোনটো প্ৰসিদ্ধ সংস্থাৰ অধ্যক্ষ নিযুক্ত কৰা হৈছে?
২। প্ৰধানমন্ত্ৰীয়ে কিছুদিন আগতে মুকলি কৰা মধ্যপ্ৰদেশৰ ওমকাৰেশ্বৰ সৌৰশক্তি প্ৰকল্পৰ কি বিশেষত্ব আছে?
৩। উত্তৰ প্ৰদেশ চৰকাৰৰ উদ্যোগত কি উপলক্ষত অলপতে 'অটল যুৱ মহা কুম্ভ' শীৰ্ষক প্ৰতিভা বিকাশ প্ৰতিযোগিতা আয়োজিত হৈছিল?
৪। হৰপ্পা যুগৰ কোনটো স্থানৰ খনন কাৰ্যত অলপতে ৫০০০ বছৰ পুৰণি পানী ব্যৱস্থাপনা পদ্ধতি আৱিষ্কাৰ হৈছে?
৫। শেহতীয়াভাৱে মুম্বাইৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী কাম্যা কাৰ্তিকেয়ন কিয় সংবাদ শীৰ্ষলৈ আহিছিল?

## প্ৰশাসনিক বিষয়াৰ সাহিত্য চৰ্চা

১। ২০১৪ চনত সৰ্বভাৰতীয় ১৩নং স্থানপ্ৰাপ্ত আই এ এছ বিষয়া এগৰাকীৰ দ্বাৰা ৰচিত এখন জনপ্ৰিয় শিশু কাব্য সংকলন হৈছে 'শাদী বন্দৰ মামা কী'। কেইবাখনো তত্ত্বগধুৰ গ্ৰন্থৰে সাহিত্যিক ৰূপে নিজকে প্ৰতিষ্ঠা কৰা এই বিষয়াগৰাকীৰ নাম কি?
২। ১৯৯০ চনত মহিলাৰ ভিতৰত শীৰ্ষস্থান দখল কৰি উত্তীৰ্ণ হোৱা আই এ এছ বিষয়াগৰাকীৰ প্ৰথমখন ইংৰাজী কাব্য সংকলন 'A Life of Light' প্ৰথমখন হিন্দী কাব্য সংকলন 'জৰা সা ধুপ'। পঞ্জাৱ-হাৰিয়ানা কেডাৰৰ এই বিষয়াগৰাকীৰ নাম কি?
৩। 'ৰাংখাৰ' নামৰ চুটি গল্প সংকলনৰ বাবে ২০১৬ চনৰ সাহিত্য অকাডেমি যুৱ পুৰস্কাৰ লাভ কৰা ২০১০ চনৰ ৰাজস্থান কেডাৰৰ আই এ এছগৰাকীৰ নাম জানেনে?
৪। আই আই টি দিল্লীৰ স্নাতক তথা ভাৰতীয় পুলিচ সেৱাৰ বিষয়া এগৰাকীৰ দ্বাৰা ৰচিত Hinduism Beyond Ritualism নামৰ গ্ৰন্থখনে কিছুদিন আগতে সামাজিক মাধ্যমত কিছু বিতৰ্কৰ সৃষ্টি কৰিছিল। এই গ্ৰন্থখনৰ ৰচক কোন?
৫। The Seductin of Delhi, The Eight-Eyed Lord of kathmandu, The Prophecy of Brasilia ইত্যাদি ইংৰাজী কাব্য সংকলনৰ ৰচকগৰাকী ভাৰতীয় বৈদেশিক সেৱাৰ এগৰাকী বিষয়া। কালিদাসৰ 'মেঘদূত' আৰু 'ঋতুসংহাৰ' ইংৰাজীলৈ অনুবাদ কৰি ২০২১ চনৰ কলিংগ সাহিত্য বঁটা লাভ কৰা এই কবিগৰাকী কোন?

## কুইজ বিচিত্ৰা (বিশ)ৰ উত্তৰসমূহ



১. দৈনিক UPI লেনদেনৰ শীৰ্ষ সীমা ১ লাখ টকালৈ বৃদ্ধি।
২. কাজিনেমুক অসমৰ ৰাজ্যিক ফলৰূপে ঘোষণা।
৩. উজ্জয়িনীৰ যন্তৰ মন্তৰত।
৪. গ্ৰীষ্মকালীন অলিম্পিকলৈ জুৰী সদস্য ৰূপে নিৰ্বাচিত প্ৰথম ভাৰতীয় হোৱাৰ সুবাদত। তেওঁ ২০২৪ৰ পেৰিছ অলিম্পিকত জলক্ৰীড়াৰ জুৰী সদস্য আছিল।
৫. A press for the Planet : Journalism in the Face of the Environmental Crisis.
৬. ইকুষ্টেৰিয়ানৰ ধৰা ষ্টাৰ গ্ৰাঁ প্ৰী ইভেণ্ট বিজয়ী প্ৰথম ভাৰতীয়।
৭. সেই দিনা চৰাইদেউ মৈদামক ইউনেস্কোৰ দ্বাৰা বিশ্ব ঐতিহ্যক্ষেত্ৰ ৰূপে স্বীকৃতি দিয়া হৈছিল।
৮.মংকীপ'ক্স ভাইৰাছ।
৯. তুহিন কান্ত পাণ্ডে।
১০. উত্তৰাখণ্ডৰ এইমছ ঋষিকেশ।
১১. শ্বাৰজাহ আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থমেলা।
১২. জাপান।

### সপ্তাহটোৰ প্ৰশ্ন

**হেৰী** ডেক্সটাৰ হোৱাইট আৰু জন মেইনাৰ্ড কীনিছ নামৰ ব্যক্তি দুগৰাকী কোনটো আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ জন্মৰ আঁৰৰ ব্যক্তি বুলি কোৱা হয়?

প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ হৈ ভৱেশ চন্দ্ৰ ডেকাৰ দ্বাৰা বৰাগাঁও, গুৱাহাটী-৩৩, মৰাণ-ডিব্ৰুগড়, বিশ্বনাথ চাৰিআলি আৰু আগিয়া, গোৱালপাৰাৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত ❑ যোগাযোগৰ ঠিকনা ঃ নিউজ লাইভ বিল্ডিং, খ্ৰীষ্টানবস্তি, গুৱাহাটী- ৫
Published and Printed by Bhabesh Chandra Deka on behalf of Pride East Entertainment (P) Ltd. Boragaon-Guwahati, Moran-Dibrugarh, Biswanath Chariali, Agia-Goalpara, Office Address : News Live Building, Christian Basti, Guwahati-5, Executive Editor : Amal Das , Editor : Naresh Kalita
❑ ফোন ঃ গুৱাহাটী (০৩৬১) ২৩৪০৯০০/২৩৪১২০১/২৩৪১২০২ ❑ যোৰহাট ঃ (০৩৭৬) ২৩০০১৪৪ ❑ ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৬৭৬৮ ❑ ই-মেইল ঃ niyamiyabarta@gmail.com, বিজ্ঞাপন বিভাগৰ ই-মেইল ঃ niyamiyaadvt@prideeast.com
❑ কাৰ্যবাহী সম্পাদক ঃ অমল দাস ❑ সম্পাদক ঃ নৰেশ কলিতা